# আমাৰ শিক্ষা

আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতা হজৰত
মিৰ্জা গোলাম আহমদ প্ৰতিশ্ৰুত মছীহ ও মাহদী
(আঃ)ৰ ৰচিত কিস্তি নুহ পুস্তকৰ পৰা সংকলিত

প্ৰকাশক
নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# আমাৰ শিক্ষা

লিখক
হজৰত মির্জা গোলাম আহমদ
প্রতিশ্রুত মছীহ ও মাহদী (আঃ)

| | |
|---|---|
| নাম কিতাপ | আমাৰ শিক্ষা |
| মূল কিতাপ | হামাৰী তালিম |
| লিখক | হজৰত মির্জা গোলাম আহমদ কাদিয়ানী<br>প্রতিশ্রুত মছীহ ও মাহদী (আঃ) |
| অনুবাদক | আব্দুল আউৱাল মোল্লা শিক্ষক মজলীয়া বিদ্যালয় |
| প্রকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| প্ৰথম প্ৰকাশ | চন ২০২৪, ৩০০ কপি |
| মূদ্রণে | ফজলে উমৰ প্রিণ্টিং প্ৰেছ কাদিয়ান<br>জিলা গুৰদাছপুৰ ১৪৩৫১৬ (পঞ্জাব) |

| | |
|---|---|
| Name Book | Amar Shiksha |
| Original Book | Hamari Taleem |
| Author | Hazrat Mirza Ghulam Ahmad<br>The Promise Messiah(as) |
| Transaled by | Abdul Awal Mollah Teacher M,E School |
| Published by | Nazarat Nashr-O-Ishaat Qadian |
| First Published | 2024, 300 Copies |
| Printed at | Fazle Umar Printing Press<br>Qadian,Dist: Gurdaspur<br>143516 (Punjab) |

# প্ৰকাশকৰ কথা

হজৰত মছীহ্ মাওউদ (আঃ)ৰ লিখিত পুস্তক **হামাৰী তালিম** কিতাপখন অসমীয়া ভাষাত অনুবাদ কৰিছে মাননীয় আব্দুল আউৱাল মোল্লা চাহাব শিক্ষক মজলীয়া বিদ্যালয় (জিলাই আমীৰ বঙাইগাঁৱ )। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা ও সদস্য ৰিভিউ কমিটি অসম, মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা ও সদস্য ৰিভিউ কমিটি অসম, মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)। পুস্তকখন প্ৰকাশ কৰি উলিওৱাতে সহায় সহযোগীতা আগবঢ়োৱা সকলক আল্লাহ্ তা'লা উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**



হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)
(১৮৩৫-১৯০৮)

# লিখক পৰিচিত

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ)য়ে উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰমণাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে, আৰু সহস্ৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে। কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ ছিলছিলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জমাতৰ ভেঁটি স্থাপন কৰে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক) যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্ম গ্ৰন্থত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী যাৰ আবিৰ্ভাৱৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জামাত বৰ্তমান ২০০ ৰো অধিক দেশত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা হয়।

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ

# আমাৰ শিক্ষা

জনা উচিত যে কেৱল মৌখিক বয়াতৰ (দীক্ষা গ্ৰহণৰ) কোনো মূল্য নাই; যেতিয়ালৈকে মানুহ সম্পূৰ্ণৰূপে সঠিক শিক্ষাক কাৰ্যত পৰিণত নকৰে। যিজনে আমাৰ শিক্ষা অনুসৰি কাম কৰে। সি আমাৰ সেই গৃহত প্ৰৱেশ কৰিব, যাৰ সম্বন্ধে আল্লাহ তা'লা প্ৰতিজ্ঞা কৰিছে যে,

اِنِّیۡ اُحَافِظُ کُلَّ مَنۡ فِی الدَّارِ

তোমাৰ ঘৰৰ চাৰিসীমাৰ মাজত যিসকলে বাস কৰে মই সেই সকলক ৰক্ষা কৰিম। ইয়াৰ অৰ্থ এইটো নহয় যে যিসকল ব্যক্তি মোৰ এই ইটা-মাটিৰ ঘৰৰ মাজত বাস কৰে, কেৱল তেওঁলোকেই মোৰ গৃহৰ অন্তৰ্ভুক্ত, বৰং যিসকল ব্যক্তি মোৰ শিক্ষাক পূৰ্ণ অনুসৰণ কৰে তেওঁলোকেও মোৰ গৃহৰ অন্তৰ্গত। মোক অনুসৰণ কৰিবৰ বাবে যি প্ৰয়োজন সেয়া তলত বৰ্ণনা কৰা হ'ল।

পোন প্ৰথমে দৃঢ় ভাৱে বিশ্বাস কৰিব লাগিব যে তেওঁৰ এটা কাদিৰ (সৰ্বশক্তিমান) কাইউম (চিৰস্থায়ী আৰু সংৰক্ষণকাৰী) আৰু খালেকুল কুল (সৰ্বশ্ৰেষ্ঠ) খোদা আছে যাৰ গুণাৱলী অনাদি, অনন্ত আৰু অপৰিৱৰ্তনীয়; তেওঁ কাৰো সন্তান নহয় আৰু কোনেও তাৰ সন্তান নহয়; সুখ দুঃখ কষ্ট আদিৰ যন্ত্ৰণা আৰু মৃত্যু তেওঁক স্পৰ্শ কৰিব নোৱাৰে। তেওঁ এনে সত্তা যি দূৰত থাকিও ওচৰত, ওচৰত থাকিও দূৰত, যদিও এক, কিন্তু তেওঁৰ জ্যোতিৰ বিকাশ ভিন্ন প্ৰকাৰৰ। মানুহে যেতিয়া নিজৰ মাজত এক অভিনৱ পৰিৱৰ্তন আনে তেতিয়া তেওঁৰো তেওঁৰ বাবে আন এক নতুন খোদা হৈ

যায় অৰ্থাৎ নতুন ৰূপত তেওঁৰ লগত আচৰণ কৰে, মানুহে নিজৰ আত্মাৰ সংশোধনৰ পৰিমাণ অনুসাৰে আল্লাহ্ তা'লাৰ মাজত এক পৰিৱৰ্তন দেখিবলৈ পায়; কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আল্লাহৰ মাজত পৰিৱৰ্তন হয়; বৰঞ্চ তেওঁ অনাদি কালৰ পৰাই অপৰিৱৰ্তনীয়। পৰম আৰু চৰম গুণৰ গৰাকী, কিন্তু মানুহে যেতিয়া নিজৰ জীৱনৰ পৰিৱৰ্তন সাধন কৰি সকলো কৰ্মৰ ফালে ধাৱিত হয় তেতিয়া আল্লাহ্ তা'লাও তেওঁৰ ওপৰত এক নতুন জ্যোতিৰে প্ৰকাশিত হয়। মানুহৰ প্ৰতিটো সফলতাৰ লগত খোদা তা'লাৰ ৰহমত আৰু তেওঁৰ ওচৰত নতুন আৰু উৰ্দ্ধতম ৰূপত বিকশিত হয়। য'ত অসাধাৰণ পৰিৱৰ্তন সাধিত হয় তাত আল্লাহ্ তা'লাও তেওঁৰ অসাধাৰণ নিদৰ্শন সমূহ প্ৰদৰ্শন কৰে। পৃথিৱীৰ সকলো অলৌকিক লীলাৰ মূলতেই তেওঁৰেই সকলো।

আমাৰ এই ছিলছিলাৰ উদ্দেশ্যই হৈছে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰা। তোমালোকে আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰা। তোমালোকে আল্লাহৰ প্ৰতি বিশ্বাস ৰখা আৰু নিজৰ প্ৰাণ আৰাম, আনকি যাৱতীয় বিষয়ৰ ওপৰত পৰম খোদা তা'লাক প্ৰাধান্য দিয়া আৰু সৰলতা আৰু বিশ্বাসেৰে সেই পথত অগ্ৰসৰ হোৱা। যদি তুমি সৃষ্টিকৰ্তাক সকলোতকৈ ওপৰত স্থান দিয়া তেতিয়াহলে স্বৰ্গত তুমি তেওঁলোকৰ মাজৰ এজন বুলি গণ্য হ'বা; দয়া আল্লাহৰ এক চিৰন্তন ৰীতি, কিন্তু এই ৰীতিৰ দ্বাৰা উপকৃত হ'বলৈ হলে তুমি আৰু তেওঁৰ মাজত থকা সকলো ব্যৱধান লোপ কৰিব লাগিব; তেওঁৰ ভালে তোমাৰ ভাল আৰু তেওঁৰ ইচ্ছাকেই তোমাৰ ইচ্ছা হিচাপে জ্ঞান কৰিব লাগিব। সকলো সময়তে অৰ্থাৎ সফলতা বিফলতা যিকোনো পৰিস্থিতিত তুমি তেওঁক স্মৰণ কৰিব লাগিব যাতে তাৰ ইচ্ছা পূৰণ হয়। এনে কৰিলে তোমাৰ মাজত আল্লাহ্ তা'লা পুনৰাই প্ৰকাশিত হৈ উঠিব, যিজন দীৰ্ঘকাল ধৰি জগতৰ পৰা নিজকে লুকাই ৰাখিছিল; তেনেকুৱা কোন আছে যিয়ে এই উপদেশ অনুসৰি কাম কৰিব, তেওঁৰ মীমাংসাত

দ্বিৰুক্তি নকৰিবলৈ প্ৰস্তুত ?

বিপদ দেখিলে তুমি আৰু সন্মুখৰ ফালে আগুৱাই যোৱা আৰু জানিবা এইটোৱেই তোমাৰ উন্নতিৰ পন্থা, তেওঁৰ মহত্ব প্ৰকাশ কৰিবলৈ নিজৰ সমস্ত শক্তি প্ৰয়োগ কৰা, তেওঁৰ সৃষ্টি জীৱৰ প্ৰতি দয়া কৰা আৰু সিহঁতৰ প্ৰতি নিজৰ জিভা, হাত নাইবা আন কোনো উপায়েৰে উৎপীড়ন নকৰি সদায় উপকাৰ সাধন কৰিবলৈ উৎপৰ হোৱা। কাৰো প্ৰতি সি তোমাৰ অধীন হলেও অহংকাৰ নেদেখুৱাবা, আনকি কোনোবাই তোমাক গালি দিলেও তুমি তেওঁক গালি নিদিবা, নম্ৰ, সাধু, ধৈৰ্য্যশীল আৰু জীৱৰ প্ৰতি দয়াশীল হোৱা, যাতে খোদা তা'লাৰ ওচৰত তুমি গ্ৰহণীয় হ'ব পাৰা। এনেকুৱা বহুত মানুহ আছে যিসকল বাহ্যিক ভাৱে ধৈৰ্যশীল; কিন্তু অন্তৰ কুটিল, যেতিয়ালৈকে তোমাৰ বাহ্যিক আৰু আভ্যন্তৰীণ অৱস্থা এক নহয় তেতিয়ালৈকে আল্লাহৰ ওচৰত গ্ৰহণযোগ্য নহ'বা; ডাঙৰ হলে সৰুক কেতিয়াও লাঞ্চনা নিদিবা, বৰং তেওঁৰ প্ৰতি সদায় সদয় হ'ব লাগে; যদি বিদ্বান হোৱা, তেনেহলে বিদ্যাহীনক অৱমাননা নকৰি তেওঁক সুপ্ৰদেশ দিব লাগে, ধনী হলে দৰিদ্ৰৰ ওপৰত গৰ্ব নকৰি সিহঁতক সেৱা কৰা যুগুত। ধ্বংসৰ পথৰ পৰা সদায় সাৱধান থাকিব লাগে। আল্লাহৰ বাহিৰে আন কোনো সৃষ্টিৰ উপাসনা নকৰিবা, সকলো বস্তুৰ পৰা আঁতৰি আহি কেৱল নিজৰ সৃষ্টিকৰ্তাৰ প্ৰতি একনিষ্ঠ হোৱা। এই মায়া মোহৰ সংসাৰৰ পৰা মনক নিৰ্লিপ্ত হৈ কেৱল তেওঁৰ প্ৰেমত আত্মবিভোৰ থাকা; কেৱল তেওঁৰ উদ্দেশ্যে জীৱন-যাপন কৰা আৰু তেওঁৰ বাবেই সৰ্বতো প্ৰকাৰ পাপ আৰু অপৱিত্ৰতাক ঘৃণা কৰা, কাৰণ তেওঁ পৱিত্ৰ। প্ৰতিটো ৰাতিপুৱাই সাক্ষ্য বহন কৰে তুমি ৰাতিৰ সময় তাকওৱাৰ সৈতে কটাইছা, আৰু প্ৰতি সন্ধিয়াই সাক্ষ্য বহন কৰে, তুমি ভীতিৰ সৈতে দিন যাপন কৰিছা।

## জগতৰ অভিশাপক তুমি ভয় নকৰিবা

জগতৰ অভিশাপক তুমি ভয় নকৰিবা; কাৰণ সেইটো চাওঁতে ধুমপানৰ

নিচিনা নাইকিয়া হৈ যায়। ই কেতিয়াও দিনক ৰাতি কৰিব নোৱাৰে; বৰং তুমি আল্লাহৰ অভিশাপক ভয় কৰা, যি আকাশৰ পৰা অৱতীৰ্ণ হয় আৰু যাৰ ওপৰত ই নিপতিত হয় তাৰ ইহকাল, পৰকাল সমূলি বিনষ্ট হৈ যায়। তুমি কপটতাৰ দ্বাৰা নিজক ৰক্ষা কৰিব নোৱাৰিবা, কাৰণ তেওঁ তোমালোকৰ খোদা, তেওঁ মানৱ হৃদয়ৰ অন্ত:স্থললৈ দেখি থাকে। তোমালোকে জানো তেওঁক প্ৰতাৰিত কৰিব পাৰিবা ? বৰং তোমালোকে পৰিষ্কাৰ, সৰল, পৱিত্ৰ আৰু নিৰ্মল হৈ যোৱা; তোমালোকৰ মাজত যদি লেখমাত্ৰ অন্ধকাৰৰ কণা থাকে, তেন্তে সিয়ে তোমাৰ হৃদয়ৰ সমস্ত জ্যোতিষ্কৰ ম্লান কৰি দিব; তোমাৰ হৃদয়ৰ মাজত যদি অহংকাৰ, কুটিলতা, আলস্য বিদ্যমান থাকে তেন্তে তোমালোক কেতিয়াও তেওঁৰ গ্ৰহণ যোগ্য হ'ব নোৱাৰিবা, আল্লাহ্ তা'লাই সদায় বিচাৰে যে তোমালোকৰ জীৱনৰ আমুল পৰিৱৰ্তন হওঁক। তেওঁ তোমালোকৰ ওচৰত এটা মৃত্যুহে বিচাৰে। তাৰ পিছত তেওঁ তোমালোকক এক নতুন জীৱন প্ৰদান কৰিব। যিমান সোনকালে সম্ভৱ তোমালোকে পৰস্পৰৰ মাজত বিবাদ মীমাংসা কৰা আৰু নিজ ভাতৃক ক্ষমা কৰা; কাৰণ যি ব্যক্তি নিজ ভাতৃৰ সৈতে বিবাদ মীমাংসা নকৰে তেওঁ নিশ্চয় অসাধু। তেওঁ সমাজত বিবাদৰ সৃষ্টি কৰে, অৰ্থাৎ তেওঁ সম্পৰ্কচ্যুত হৈ যায়। তোমালোক নিজ নিজ ৰিপুণ দমন কৰা আৰু পাৰস্পৰিক মনোমালিন্য পৰিত্যাগ কৰা আৰু সত্যবাদী হোৱা যাতে তোমালোক ক্ষমাৰ প্ৰাৰ্থী হ'ব পাৰা। তেওঁ কিমান দুৰ্ভগীয়া যি আল্লাহৰ মুখ নিগৃত বাণী যিটো আমাৰ দ্বাৰা প্ৰচাৰিত হৈছে অথচ মানিবলৈ প্ৰস্তুত নহয়। তুমি যদি ইচ্ছা কৰা যে আকাশত আল্লাহ্ তা'লা তোমাৰ প্ৰতি সন্তুষ্ট হয় তেন্তে তোমালোকে পৰস্পৰ সহদোৰ ভাতৃৰ দৰে হোৱা। তোমালোকৰ মাজত সেইজন ব্যক্তি অধিক মহান যি নিজ ভাতৃৰ অপৰাধ অধিক ক্ষমা কৰে; বৰং সেই ব্যক্তি পৰম দুৰ্ভগীয়া যি সঠকাৰিতা কৰে আৰু নিজ ভাতৃৰ অপৰাধ মাৰ্জনা কৰিবলৈ প্ৰস্তুত নহয়। তেনে লোকৰ সৈতে আমাৰ

কোনো সম্বন্ধ নাই। খোদা তা'লাৰ অভিশাপৰ পৰা সৰ্বদা অতিশয় ভীত হৈ থাকিবা, কাৰণ তেওঁ অতি পৱিত্ৰ আৰু আত্মভিমানী, পাপাচাৰী কেতিয়াও আল্লাহৰ সান্নিধ্য লাভ কৰিব নোৱাৰে; অহংকাৰী কেতিয়াও আল্লাহৰ সান্নিধ্য লাভ কৰিব নোৱাৰে; অত্যাচাৰীও কেতিয়াও খোদাৰ সান্নিধ্য লাভ কৰিব নোৱাৰে। যিসকল কুকুৰ শগুণৰ নিচিনা সংসাৰাসক্ত আৰু সংসাৰ সম্ভোগত নিমগ্ন তেওঁলোকে কেতিয়াও তেওঁৰ সান্নিধ্য লাভ কৰিব নোৱাৰে। সকলো অপৱিত্ৰ চক্ষু তেওঁৰ পৰা আঁতৰত। প্ৰত্যেক পাপাসক্ত মন খোদা সম্পৰ্কে অজ্ঞ। যিজন আল্লাহৰ বাবে নিপতিত আৰু অগ্নিৰ পৰা মুক্তি দিয়া হ'ব। যিয়ে তেওঁৰ বাবে কান্দে সি অৱশ্যই হাঁহিব। যি ব্যক্তি তেওঁৰ উদ্দেশ্যে সংসাৰ ত্যাগ কৰিব সি নিশ্চয় তাক লাভ কৰিব। তুমি আন্তৰিকতা পূৰ্ণ সৰলতা আৰু উৎসাহেৰে তেওঁৰ বন্ধুত্ব লাভ কৰিবলৈ অনুগ্ৰহ হোৱা, তেনেহলে তেওঁৰো তোমাৰ বন্ধু হ'ব; তুমি নিজৰ অধিনস্থ ব্যক্তিসকলৰ প্ৰতি তোমাৰ স্ত্ৰী পৰিজন আৰু দুখীয়াৰ প্ৰতি দয়া কৰা, তেওঁৱেই তোমালোকৰ প্ৰতি দয়া বৰ্ষিত কৰিব। তুমি তেওঁৰ হোৱা, তেওঁৰো তোমাৰ হ'ব। পৃথিৱীখন বহু বিপদৰ ঠাই। সেয়ে তোমালোক একনিষ্ঠ ভাৱে আল্লাহৰ প্ৰতি ধাৱমান হোৱা যেন তেওঁৰো এই বিপদ ৰাশিৰ পৰা আমাক আঁতৰত ৰাখিব। জগতত কোনো বিপদ দেখা নাযায় যেতিয়ালৈকে আকাশৰ পৰা কোনো আদেশ নহয় বা কোনো বিপদ জগতৰ পৰা দূৰ নহয়, যেতিয়ালৈ আকাশৰ পৰা তেওঁৰ দয়া বৰ্ষণ নহয়। সুতৰাং তোমালোকৰ বুদ্ধিমত্তাৰ পৰিচয় এয়াই যে তোমালোকে গছৰ ঠাল ঠেঙুলিক অৱলম্বন নকৰি মূলক ধৰা। তোমাৰ বাবে ঔষধ আৰু উপকাৰৰ ব্যৱহাৰ নিষিদ্ধ নহয়। কিন্তু সেইবোৰৰ ওপৰত সম্পূৰ্ণ ভাৱে নিৰ্ভৰ কৰা তোমাৰ বাবে নিষিদ্ধ। কাৰণ অৱশেষত অৱশ্য সেয়াই ঘটিব যি আল্লাই ইচ্ছা কৰে, যদি কোনো ব্যক্তি আল্লাহৰ প্ৰতি পূৰ্ণ নিৰ্ভৰ কৰে তেনেহলে সেইৰূপ নিৰ্ভৰতাৰ স্থান সৰ্বোচ্চ, তাত কোনো সন্দেহ নাই।

# যিসকল পৱিত্ৰ কোৰাণক সন্মান কৰিব তেওঁলোক আকাশত সন্মান লাভ কৰিব

তোমালোকৰ প্ৰতি আন এক অত্যাৱশ্যকীয় উপদেশ এয়ে যে কোৰাণ শ্বৰীফক এক অনাৱশ্যকীয় দ্ৰব্যৰ দৰে পৰিত্যাগ নকৰিবা। কাৰণ কোৰাণতেই তোমালোকৰ জীৱন ৰৈ আছে। সিসকলে কোৰাণক সন্মান কৰে তেওঁলোকে আকাশতো সন্মান লাভ কৰিব। যিসকলে সমূহ হাদীছৰ ওপৰত কোৰাণক শ্ৰেষ্ঠত্ব  প্ৰদান কৰিব, সেইসকলক শ্ৰেষ্ঠত্ব প্ৰদান কৰা হ'ব; মানৱ জাতিৰ বাবে কোৰাণৰ বাহিৰত আন কোনো ধৰ্মশাস্ত্ৰ নাই আৰু আদম সন্তানৰ বাবে বৰ্তমানত মহম্মদ মুস্তফা (ছাঃ)ভিন্ন কোনো ৰছুল অৰ্থাৎ শ্বাফী নাই। সেয়ে তোমালোক সেই মহান গৌৰৱ সম্পন্ন নবীৰ সৈতে প্ৰেম সূত্ৰে আৱদ্ধ হ'বলৈ চেষ্টা কৰা আৰু আন কাকো তেওঁৰ ওপৰত কোনো প্ৰকাৰৰ শ্ৰেষ্ঠত্ব প্ৰদান নকৰিবা যাতে আকাশত তুমি মুক্তিপ্ৰাপ্ত বুলি পৰিগণিত হ'ব পাৰা।

মনৰ ৰাখিবা যে প্ৰকৃত মুক্তি কেৱল মৃত্যুৰ পিছতেই প্ৰকাশিত হয়, এনে নহয় বৰং প্ৰকৃত মুক্তিপ্ৰাপ্ত ব্যক্তি কোন ? সিয়ে যি বিশ্বাস কৰে যে আল্লাহ সত্য আৰু মহম্মদ (ছাঃ) তেওঁৰ সৃষ্টি জীৱৰ মাজত যোজক স্থানীয় আৰু আকাশৰ তলত তেওঁৰ সমতুল্য আন কোনো ৰছুল নাই আৰু কোৰাণৰ সমতুল্য আন কোনো গ্ৰন্থ নাই। অইন কোনো মানুহক আল্লাহ তা'লাই জীৱিত ৰাখিবলৈ ইচ্ছা কৰা নাই। কিন্তু তেওঁৰ এই মনোনীত নবীক তেওঁ চিৰকাল জীৱিত ৰাখিছে। তেওঁক জীৱিত ৰখাৰ বাবে খোদা তা'লা তেওঁৰ চৰিয়ত আৰু তেওঁৰ আধ্যাত্মিক শক্তিক কিয়ামতলৈ কল্যাণ বৰ্ষণ কৰিছে। অৱশেষত  আল্লাহ তা'লা এই যুগত আধ্যাত্মিকতাৰ প্ৰাসাদত এই প্ৰতিশ্ৰুত মছীহক জগতত প্ৰেৰণ কৰিছে, যাৰ আগমন ইছলামৰ প্ৰাসাদক পূৰ্ণাঙ্গ কৰাৰ বাবে একান্ত আৱশ্যক আছিল; কাৰণ এই জগতৰ আয়ু অবাসন হোৱাৰ আগত হজৰত মহম্মদ (ছাঃ)ৰ ধৰ্মত এজন আধ্যাত্মিক

মছীহৰ আৱিৰ্ভাব হোৱা একান্ত আৱশ্যক আছিল, যেনে ইতিপূৰ্বত হজৰত মুছা (আঃ)ৰ ধৰ্মত আৱিৰ্ভাব হৈছিল কোৰাণ শ্বৰীফৰ এই আয়াত,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ۶ صِرَاطَ الَّذِيۡنَ

اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ (1:6-7)

হজৰত মুছা (আঃ) তেওঁৰ পূৰ্বৱৰ্তী জাতি সমূহৰ পৰিত্যক্ত ধন অধিকাৰী হৈছিল আৰু হজৰত মহম্মদ (ছাঃ) সেই ধনৰ অধিকাৰী হৈছে যি হজৰত মুছা (আঃ)ৰ অনুগামীসকলে হেৰাই পেলাইছিল। সেই অনুসৰি বৰ্তমানত হজৰত মহম্মদ (ছাঃ)ৰ ধৰ্মই হজৰত মুছা (আঃ)ৰে উত্তৰাধিকাৰী; কিন্তু মহিমাই সহস্ৰ গুণৰ শ্ৰেষ্ঠ, কিন্তু যেনেকৈ হজৰত মুছা (আঃ)ৰ উত্তৰাধিকাৰী নবী (ছাঃ) হজৰত মুছা (আঃ)তকৈ উচ্চ মৰ্যাদা বিশিষ্ট, তেনেকৈ হজৰত ইবনে মৰিয়ম (আঃ)ৰ উত্তৰাধিকাৰী ব্যক্তিৰ মৰ্যদাও হজৰত ইবনে মৰিয়ম (আঃ)তকৈ উচ্চতৰ; সেই প্ৰতিশ্ৰুত মছীহ মহম্মদ (ছাঃ)ৰ পিছত চতুৰ্দশ শতাব্দীত আৱিৰ্ভূত হৈছে যেনে তেওঁৰ পূৰ্বৱৰ্তী হজৰত মছীহ ইবনে মৰিয়ম (আঃ), হজৰত মুছা (আঃ)ৰ পিছত চতুৰ্দশ শতাব্দীতে আৱিৰ্ভূত হৈছিল। এই সাদৃশ্য অকল সময়ৰ দিশৰ পৰাই নহয় প্ৰতিশ্ৰুত মছীহ বৰ্তমান এনে আৱিৰ্ভূত হৈছে যেতিয়া মুছলমান জাতিৰ অৱস্থা হজৰত ঈছা (আঃ)ৰ আগমন কালত ইহুদীসকলৰ অৱস্থা সম্পূৰ্ণ অনুৰূপ ভাৱে থিয় দিছিল; সেই প্ৰতিশ্ৰুত মছীহ আমি।

গতিকে যি ব্যক্তি আমাৰ ওচৰত শুদ্ধ ভাৱে বয়াত কৰে আৰু সৰল হৃদয়েৰে আমাৰ অনুসৰণ কৰে আৰু আমাৰ আজ্ঞা পালনত তৎপৰ হৈ নিজৰ সকলো ইচ্ছা পৰিহাৰ কৰে, তেওঁৰ বাবে এই বিপদৰ দিন আমাৰ আত্মা আল্লাহ তা'লাৰ ওচৰত অৱশ্যেই মুক্তিৰ প্ৰাৰ্থনা কৰিব।

## হে আমাৰ জামাতভুক্ত ব্যক্তিসকল

গতিকে যিসকলে মোৰ জামাতভুক্ত সেইসকল নিশ্চয় মন কৰিবা যে

আকাশত তুমি তেতিয়াই মোৰ জামাতত পৰিগণিত হ'বা যেতিয়া তুমি সঁচা অৰ্থত ধৰ্মৰ পথত অগ্ৰসৰ হ'বা। আনকি তোমালোক তোমাৰ দৈনন্দিন পাঁচ বাৰৰ নামাজ এনে নিষ্ঠা সহকাৰে আৰু একান্ত চিত্তমনে পঢ়িবা যেনে তোমালোক আল্লাহ্ তা'লাক দেখিব বিচৰা; তোমালোক ৰোজা নিষ্ঠা সহকাৰে পালন কৰিবা। তোমালোকৰ মাজত যিসকলে জাকাত দিয়াৰ উপযুক্ত সেইসকলে অৱশ্যই জাকাত দিবা। যিসকলৰ বাবে হজ্ব অৱশ্যই কৰ্তব্য আৰু এইটো পালনৰ কোনো বাধা নাই, তেওঁলোক নিশ্চয় হজ্ব কৰিব আৰু সকলো পুণ্য কাম সুচাৰু ৰূপে সম্পন্ন কৰিবা আৰু পাপক ঘৃণাৰ সৈতে পৰিহাৰ কৰিবা। এই কথা নিশ্চয় জনা উচিত যে সেই ধৰ্ম আল্লাহৰ ওচৰত গ্ৰহণযোগ্য নহয় য'ত প্ৰকৃত তাকৱা (খোদাৰ প্ৰতি ভয়) নাই। এই তাকৱা সকলো পুণ্যৰ মূল। যি কৰ্মত এই মূল ধ্বংস নহয় সেই কৰ্ম কেতিয়াও ধ্বংস নহয়। এয়া নিশ্চিত যে পূৰ্বৱৰ্তী বিশ্বাসীসকলৰ দৰে তোমালোকে বিভিন্ন প্ৰকাৰে দুঃখ কষ্টৰ পৰীক্ষা দিব লাগিব। গতিকে সতৰ্ক হোৱা উচিত যাতে তোমালোকৰ পদস্খলন নহয়। যদি আল্লাহৰ সৈতে তোমালোকৰ দৃঢ় সম্পৰ্ক থাকে তেন্তে পৃথিৱীৰ কোনেও তোমাৰ একো ক্ষতি কৰিব নোৱাৰিব; তোমালোকৰ ক্ষতি তোমালোকৰ হাতৰ দ্বাৰা সাধিত হ'ব পাৰে। শত্ৰুৰ হাতৰ দ্বাৰা নহয়। তোমাৰ সমস্ত পাৰ্থিৱ সন্মান যদি ধ্বংস হয় তেতিয়াহলে আল্লাহ তা'লা তোমালোকক স্বৰ্গত এক অক্ষয় সন্মান প্ৰদান কৰিব। গতিকে তুমি কেতিয়াও তেওঁক (আল্লাহক) পৰিত্যাগ নকৰিবা, এইটো সঁচা যে তোমালোকক দুঃখ দিয়া হ'ব আৰু তোমালোকক বহুত আশা অসম্পূৰ্ণ হৈ থাকিব। কিন্তু তোমালোক তাৰ বাবে দুখিত নহ'বা, কাৰণ আল্লাহ তা'লা তোমালোকক দেখিব যে তোমালোক তেওঁৰ পথত দৃঢ় সংকল্প নে নাই ? তুমি যদি বিচৰা যে স্বৰ্গত ফিৰিস্তা সকলেও তোমাৰ প্ৰশংসা কৰক তেনেহলে তোমালোক শাস্তি কষ্ট ভোগ কৰিও সদায় আনন্দত থাকিবা। বেয়া কথা জানিও কৃতজ্ঞ হ'বা।

নিজৰ ইচ্ছাৰ বিফলতা দেখিও আল্লাহৰ সৈতে সম্পৰ্ক ছেদ নকৰিবা। তোমালোকেই আল্লাহৰ শেষ ধৰ্মমণ্ডলী, সেই বাবে পুণ্য কৰ্মৰ এনে দৃষ্টান্ত দেখুৱা য'ৰ পৰা নিজৰ পৰ্যায় শীৰ্ষ স্থানলৈ গৈ পাই যেন। তোমালোকৰ মাজত যিজন কৰ্মত শিথিল হৈ পৰিব তাক ঘৃণিত দ্ৰব্যৰ দৰে মণ্ডলীৰ পৰা বাহিৰলৈ নিক্ষেপ কৰা হ'ব আৰু আক্ষেপেৰে তেওঁৰ জীৱনৰ অৱসান ঘটিব। এই শ্ৰেণীৰ ব্যক্তি আল্লাহ তা'লাৰ কোনো ক্ষতি সাধান কৰিব নোৱাৰিব; মন কৰিবা আমি অতি আনন্দৰ সৈতে তোমালোকক এই সংবাদ প্ৰদান কৰিছোঁ যে তোমালোকৰ আল্লাহ এক বাস্তৱ অস্তিত্ব। যদিও সকলো তেওঁৰেই সৃষ্টি, তথাপিও তেওঁ সেই ব্যক্তিকেই মনোনীত কৰি থাকে যিয়ে তেওঁক মনোনীত কৰে যি ব্যক্তি তেওঁৰ ফালে ধাৱমান হয় তেওঁ তাৰ ওচৰলৈ আহে। যি তেওঁক (আল্লাহক) প্ৰকৃত সন্মান কৰে তেওঁৱো তাক সন্মান প্ৰদান কৰে। তোমালোকে নিজৰ মনক সৰল কৰি অৰ্থাৎ জিভা,চকু আৰু কাণক পৱিত্ৰ কৰি তেওঁৰ ফালে অগ্ৰসৰ হোৱা; তেনেহলে তেওঁ তোমালোকক গ্ৰহণ কৰিব।

## আঁহজৰত (ছাঃ) খাতামাল আম্বিয়া

ধৰ্ম আৰু বিশ্বাস সম্বন্ধে খোদা তা'লা তোমালোকৰ ওচৰত এইটোৱেই বিচাৰে যাতে তোমালোকে বিশ্বাস কৰা যে আল্লাহ্ এক আৰু মহম্মদ (ছাঃ) তেওঁৰ প্ৰেৰিত নবী আৰু খাতামাল আম্বিয়া (নবীসকলৰ মোহৰ)। তেওঁ সকলো নবীতকৈ শ্ৰেষ্ঠ, তাৰ পিছত তেওঁৰ গুণত গুণান্বিত হৈ তেওঁৰ প্ৰতিবিম্ব ৰূপে যি আহিব তেওঁৰ বাহিৰে আন কোনো নবী নাহিব। কাৰণ দাস নিজৰ প্ৰভুৰ পৰা আৰু শাখা নিজৰ মূলৰ পৰা কেতিয়াও পৃথক নহয়।

তোমালোকে নিশ্চয় জানা হজৰত ঈছা ইবনে মৰিয়ম (আঃ)ৰ মৃত্যু ঘটিছে আৰু কাশ্মিৰ প্ৰদেশৰ শ্ৰীনগৰ চহৰত খানইয়াৰ মহল্লাত তেওঁৰ সমাধি বিদ্যমান। খোদা তা'লা তেওঁৰ প্ৰিয় গ্ৰন্থ কোৰাণ শ্বৰীফত হজৰত

ঈছা (আঃ)ৰ মৃত্যুৰ সংবাদ দিছে। মই হজৰত ঈছা (আঃ)ৰ উচ্চ মৰ্যদা অস্বীকাৰ নকৰো যদিও খোদা তা'লা মোক কৈছে যে মহম্মদী মছীহ মুছায়ী মছীহতকৈ অৱশ্যই শ্ৰেষ্ঠ, তথাপি মই হজৰত ঈছা (আঃ)ক অতিশয় সন্মান কৰো। কাৰণ আমি যেনেকৈ ইছলামৰ খাতামাল খুলাফা তেনেকৈ হজৰত ঈছা (আঃ) ইহুদী ধৰ্মৰ খাতামাল খুলাফা আছিল; যেনেকৈ হজৰত ঈছা (আঃ) মুছা (আঃ)ৰ উম্মতৰ প্ৰতিশ্ৰুত মছীহ আছিল তেনেকৈ আমি মহম্মদ (ছাঃ)ৰ উম্মতৰ মছীহ মাওউদ। আমি হজৰত ঈছা (আঃ)ৰ নাম প্ৰাপ্ত হৈছো। সুতৰাং আমি তেওঁক সন্মান কৰো, যি ব্যক্তি কয় মই তেওঁক সন্মান নকৰো সি নিশ্চয় অতি পাপী আৰু মিছলীয়া।

## কোন মোৰ জামাতৰ অন্তৰ্ভুক্ত আৰু কোনে অন্তৰ্ভুক্ত নহয়

ইয়াৰ পিছত মই তোমালোকক ক'ব বিচাৰো যে বাহ্যিক বয়াত কৰি তোমালোকৰ কৰ্তব্য শেষ হৈছে এনেধৰণৰ চিন্তাক কেতিয়াও স্থান নিদিবা। বাহ্যিকতাৰ কোনো মূল্য নাই, আল্লাহ তা'লা তোমালোকৰ হৃদয়খন চাই থাকে আৰু সেই অনুসৰি তোমালোকৰ লগত ব্যৱহাৰ কৰিব। চোৱা তোমালোকক এই কথা মনত পেলাই দি মই মোৰ শিক্ষা দানৰ কৰ্তব্য সমাপন কৰি আছো যে পাপ বিষ হয়,তাক কেতিয়াও পান নকৰিবা। আল্লাহ তা'লাৰ অবাধ্যতা তাক অপমৃত্যু বিশেষ, তাৰ পৰা দূৰত থাকা। সদায় দোৱাত বা ধ্যানমগ্ন থাকা যাতে তোমালোক শক্তি লাভ কৰিব পাৰা। যি ব্যক্তি দোৱা কৰিবৰ সময়ত আল্লাহ তেওঁৰ প্ৰতিশ্ৰুতি বহিৰ্ভূত বিষয়ৰ বাহিৰে অন্যান্য সকলো যি বিষয়ৰ সৰ্বশক্তিমান বুলি নাভাৱে, তেওঁ মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি মিছা প্ৰতাৰণা ত্যাগ নকৰে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি সংসাৰৰ প্ৰলোভনত মুগ্ধ আৰু পৰলোকৰ দিশত এবাৰৰ বাবে চকু তুলি চাবলৈ ইচ্ছুক নহয় যি মোৰ

সম্প্ৰদায়ভুক্ত নহয়; যি ব্যক্তি সকলো ধৰণৰ পাপ আৰু কু-অভ্যাসৰ পৰা যেনে মদপান, জুৱাখেলা, কুদৃষ্টি, বিশ্বাসঘাতকতা, উৎকোচ গ্ৰহণ আৰু তেনেদৰে অন্যায় আচৰণৰ পৰা সম্পূৰ্ণৰূপে বিৰত নহয় সি মোৰ সম্প্ৰদায়ভুক্ত নহয়, যি ব্যক্তি দৈনিক পাঁচবাৰ নিষ্ঠাৰ সৈতে নামাজ নপঢ়ে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি সদায় ধ্যানত বা দোৱাত ৰত নাথাকে আৰু অতি বিনয়ৰ সৈতে আল্লাহৰ স্মৰণত মগ্ন নহয় সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি মা-দেউতাক সন্মান নকৰে আৰু সাধাৰণ বিষয় যিটো কোৰাণৰ শিক্ষাৰ বিৰুদ্ধে নহয়, সিহঁতৰ আদেশ পালন নকৰে আৰু সিহঁতৰ আদিষ্ট সেৱা সম্বন্ধত অৱহেলা কৰে, সি আমাৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি নিজৰ স্ত্ৰী আৰু আত্মীয়স্বজনৰ সৈতে নম্ৰতা আৰু ভদ্ৰতাৰে ব্যৱহাৰ নকৰে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি নিজৰ প্ৰতিৱেশীৰ লগত সামান্য ক্ষেত্ৰতো সদব্যৱহাৰ কৰিবলৈ প্ৰস্তুত নহয় সি আমাৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি অপৰাধীৰ অপৰাধ মাৰ্জনা কৰিবলৈ প্ৰস্তুত নহয় আৰু বিদ্বেষ পোষণ কৰে, সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি গৰাকী স্বামী স্ত্ৰীৰ সৈতে আৰু স্ত্ৰী স্বামীৰ সৈতে বিশ্বাসঘাতকতা কৰে, সি আমাৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি মোৰ সৈতে বয়াতৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি সঁচাকৈ মোক প্ৰতিশ্ৰুত মছীহ আৰু মাহদী বুলি বিশ্বাস নকৰে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি ভাল কাৰ্য্যত মোৰ আদেশ পালন নকৰে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। যি ব্যক্তি মোক শত্ৰুপক্ষৰ দলত বহে আৰু সিহঁতৰ কথাত সন্মতি প্ৰদান কৰে সি মোৰ সম্প্ৰদায়ভুক্ত নহয়। সকলো পাপী,ব্যভিচাৰী,মদ্যপায়ী, খুনী,চোৰ,জুৱাৰি,বিশ্বাসঘাতক, ভেটি গ্ৰহণকাৰী,শঠ,অত্যাচাৰী, মিছলীয়া আৰু সিহঁতৰ সঙ্গী যিসকল নিজৰ ভাতৃ আৰু ভনীয়েকৰ প্ৰতি মিছা অপবাদ লগাই থাকে আৰু নিজৰ কু-কৰ্মৰ পৰা তৌবা নকৰে আৰু কু-সঙ্গ পৰিত্যাগ নকৰে সেইসকল মোৰ সম্প্ৰদায়ভুক্ত নহয়।

এই সকলো কাম বিষ বিশেষ। এইটো পান কৰি তোমালোকৰ জীয়াই থকা কেতিয়াও সম্ভৱ নহয়। অন্ধকাৰ আৰু পোহৰ কেতিয়াও একেলগে থাকিব নোৱাৰে, যি ব্যক্তিৰ মন কুটিলতাময় আৰু যি আল্লাহৰ সৈতে নিজৰ সম্বন্ধ পৰিষ্কাৰ নকৰে সি কেতিয়াও সেই আশীৰ্বাদৰ অধিকাৰী হ'ব নোৱাৰে যিয়ে সহজ সৰল লোকৰ ভাগ্যত ঘটি থাকে। কিমান সৌভাগ্যশালী সেইসকল ব্যক্তি যিসকল নিজৰ আত্মাক পৱিত্ৰ কৰে আৰু নিজৰ খোদাৰ লগত সৰ্বদা বিশ্বাসী হৈ থাকিবৰ প্ৰতিশ্ৰুতিত আৱদ্ধ হয়। সিহঁতে কেতিয়াও বিনষ্ট নহ'ব; আল্লাহ তা'লা সেই সকলক কেতিয়াও তিৰষ্কাৰ নকৰিব, কাৰণ সিহঁতে খোদাৰ আৰু খোদা সিহঁতৰ প্ৰতিটো বিপদৰ পৰা সিহঁতক উদ্ধাৰ কৰা হ'ব। তেওঁলোকৰ প্ৰতি যি শত্ৰু আক্ৰমণ কৰে সি অৱশ্যেই নিৰ্বোধ। কাৰণ তেওঁলোক আল্লাহ তা'লাৰ কোলাত উপবিষ্ট আছে আৰু খোদা তা'লা সিহঁতৰ সহায় কৰি আছে। এওঁলোকেই আল্লাহক বিশ্বাস কৰিছে; সেই ব্যক্তি বৰ নিৰ্বোধ যি এক দূৰন্ত পাপী, দুৰাত্মা আৰু দূৰাশয় ব্যক্তিৰ পীড়নত চিন্তিত, কাৰণ সি নিজেই ধ্বংস হৈ যাব; যেতিয়াৰ পৰা খোদা তা'লাই আকাশ আৰু পৃথিৱীখন সৃষ্টি কৰিছে তেতিয়ালৈকে এনেকুৱা ঘটনা কেতিয়াও ঘটা নাই যে আল্লাহ সাধু লোকক বিনষ্ট আৰু ধ্বংস কৰিছে আৰু তেওঁলোকৰ অস্তিৰ বিলোপ কৰিছে, বৰং তেওঁ তেওঁলোকক সাহায্যকল্পে চিৰকালেই মহা নিদৰ্শন সমূহ প্ৰদৰ্শন কৰি আহিছে আৰু এতিয়াও কৰিব।

## আমাৰ খোদা প্ৰবল পৰাক্ৰমৰ অধিকাৰী

সেই খোদা অতিশয় বিশ্বস্ত আৰু তেওঁ তেওঁৰ বিশ্বস্ত শিষ্যসকলৰ বাবে বিস্ময়কৰ ক্ৰিয়া প্ৰদৰ্শন কৰি থাকে। জগত সেই সকলক ধ্বংস কৰিব বিচাৰে আৰু শত্ৰু সকলে দন্ত পোষণ কৰে; কিন্তু খোদা যি তেওঁলোকৰ বন্ধু, তেওঁলোকক প্ৰত্যেক ধ্বংসৰ গ্ৰাসৰ পৰা ৰক্ষা কৰে

আৰু প্ৰত্যেক ক্ষেত্ৰতেই সিহঁতক জয়যুক্ত কৰে। কিমান সৌভাগ্যশালী সেই ব্যক্তি যিয়ে খোদাৰ আঁচল কেতিয়াও নেৰে। আমি তেওঁৰ ওপৰত বিশ্বাস আনিছো। আমি তেওঁৰ পৰিচয় পাইছোঁ।

সেই খোদাই সৰ্ব পৃথিৱীৰ অধীশ্বৰ যি আমাৰ প্ৰতি আল্লাহৰ বাণী অৱতীৰ্ণ কৰিছে, আমাৰ সপক্ষে মহা নিদৰ্শন প্ৰদৰ্শন কৰিছে আৰু মোক এই যুগৰ প্ৰতিশ্ৰুত মছীহ কৰি পঠিয়াইছে। পৃথিৱীত তেওঁৰ বাহিৰে আন আন কোনো মাবুদ নাই। যিজনে তেওঁৰ ওপৰত বিশ্বাস নানে সি বৰ হতভাগ্য আৰু অভিশপ্ত। আমি আল্লাহৰ তৰফৰ পৰা সূৰ্যৰ দীপ্তিমান ঐশ্বৰিক বাণী প্ৰাপ্ত হৈছো। আমি ভালকৈ জানো যে তেওঁ গোটেই পৃথিৱীখনৰ খোদা আৰু তেওঁ ভিন্ন অইন কোনো খোদা নাই। কেনে সৰ্বশক্তিমান আৰু চিৰস্থায়ী আৰু সংৰক্ষণকাৰী সেই সৃষ্টিকৰ্তা যাক আমি লাভ কৰিছোঁ। কি মহাশক্তি আৰু নৈপুণ্যৰ সেই খোদা যাক দৰ্শন কৰিছোঁ। এইটোৱেই সঁচা যে তেওঁৰ অসাধ্য একো নাই। কেৱল সেয়াই তেওঁ নকৰে, যিটো তেওঁৰ প্ৰদত্ত গ্ৰন্থ আৰু প্ৰতিশ্ৰুতিৰ বিৰোধী অন্যথা তোমালোক দোৱা কৰাৰ সময়ত সেই অজ্ঞ, নেচাৰী বা নাস্তিকসকলৰ দৰে নহ'বা যিসকলে নিজৰ কল্পনাৰ জৰিয়তে এনে কিছুমান নিয়মৰ সৃষ্টি কৰিছে; যিবিলাকৰ বিষয়ে খোদা তা'লাৰ গ্ৰন্থত কোনো সমৰ্থন পোৱা নাযায়। নাস্তিকসকল অভিশপ্ত, তেওঁলোকৰ প্ৰাৰ্থনা কেতিয়াও গৃহীত নহয়। তেওঁলোক অন্ধ, তেওঁলোক মৃতও নহয় জীৱিতও নহয়। সিহঁতে আল্লাহৰ আগত স্বৰচিত নিয়ম উপস্থিত কৰে, সিহঁতে সেইজনাৰ অসীম শক্তিক সীমাবদ্ধ দেখে আৰু দুৰ্বল বুলি ভাৱে। সিহঁতৰ সৈতে সিহঁতৰ অৱস্থানুযায়ী ব্যৱহাৰ কৰা হ'ব। কিন্তু তুমি যেতিয়া দোৱা কৰাৰ বাবে দণ্ডাইমান হোৱা তেতিয়া তুমি দৃঢ় বিশ্বাস ৰাখিব লাগিব যে তোমাৰ খোদা সৰ্বশক্তিমান। এনেকৈ দৃঢ় বিশ্বাসেৰে প্ৰাৰ্থনা কৰিলেই তোমাৰ প্ৰাৰ্থনা গৃহীত হ'ব আৰু তুমি খোদা তা'লাৰ মহা শক্তিৰ বিস্ময়কৰ নিদৰ্শনসমূহ দৰ্শন কৰিবা, যেনেকৈ মই

দৰ্শন কৰিছোঁ। মই প্ৰত্যক্ষ দৰ্শন কৰি সাক্ষী দিছো যে কাহিনী স্বৰূপ নহয়। সেই ব্যক্তিৰ প্ৰাৰ্থনা কেনেকৈ গৃহীত হ'ব পাৰে যি ব্যক্তি খোদাক সকলো ক্ষেত্ৰতে সৰ্ব শক্তিমান জ্ঞান নকৰে। মহাবিপদৰ সময়ত সেই ব্যক্তিৰ প্ৰাৰ্থনা কেনেকৈ গৃহীত হ'ব পাৰে, যিয়ে প্ৰাৰ্থনাৰ দ্বাৰা বিপদৰ পৰা উদ্ধাৰ লাভ কৰাক প্ৰকৃতিৰ নিয়ম বুলি ভাৱে ?

কিন্তু হে সৎ হৃদয় ব্যক্তিসকল ! তোমালোক কেতিয়াও এনে নকৰিবা, তোমালোকৰ খোদা এনে অদ্বিতীয় যি আকাশৰ অগনন তাৰকাৰাজি স্তম্ভ নোহোৱাকৈ ওলোমাই ৰাখিছে, যিয়ে পৃথিৱী আৰু আকাশক নি:সত্তা অৱস্থায় সৃষ্টি কৰিছে। তুমি কি ভাৱা যে তেওঁ তোমাৰ কাৰ্য সাধন কৰাত অক্ষম হ'ব ? কেতিয়াও নহয়, বৰং তোমাৰ অবিশ্বাসেই তোমাক বঞ্চিত কৰিব।

আমাৰ খোদা অগণন আচৰিত শক্তিৰ অধিকাৰী, কিন্তু কেৱল সেই ব্যক্তিয়েই তেওঁৰ আশ্চৰ্যলীলা দৰ্শন কৰিব পাৰিব যিয়ে নিষ্ঠা আৰু বিশ্বাসেৰে তেওঁৰ হৈ যায়। যি ব্যক্তি তেওঁৰ শক্তিৰ প্ৰতি দৃঢ় বিশ্বাস নাৰাখে আৰু তেওঁৰ একনিষ্ঠ সেৱক নহয় তাক খোদা তেওঁৰ আশ্চৰ্য লীলাসমূহ প্ৰদৰ্শন নকৰায়।

কিমান হতভাগ্য সেই ব্যক্তি যি আজিও নাজানে যে তেওঁৰ এনে এক খোদা আছে, যি সকলো বিষয়ত সৰ্বশক্তিমান। আমাৰ খোদাই আমাৰ স্বৰ্গ। আমাৰ খোদাই আমাৰ আনন্দ। মই তেওঁক দেখিছো আৰু তেওঁক সকলো সৌন্দৰ্যৰ অধিকাৰী হিচাপে পাইছো, প্ৰাণৰ বিনিময়তও এই সম্পদ লাভ কৰিবলৈ যোগ্য, এই মণি ক্ৰয় কৰিবলৈ যদি সমস্ত শক্তি ব্যয় কৰিব লাগে তথাপি এইটো কৰা উচিত।

হে (খোদা লাভত) বঞ্চিত ব্যক্তিসকল ! তোমালোক প্ৰস্ৰৱণৰ দিশত ধাৱিত হোৱা, ই তোমালোকক প্লাৱিত কৰিব। ই জীৱনৰ উৎস, ই তোমালোকক বচাব; মই কি কৰিম আৰু কি উপায়েৰে এই সংবাদ

তোমালোকৰ হৃদয়ঙ্গম কৰি দিম ? মানুহৰ কৰ্ণগোচৰ কৰিবৰ বাবে মই কি জয়ঢাক দি বজাৰত বন্দৰত ঘোষণা কৰিম, ই তোমালোকৰ খোদা আৰু কি ঔষধ প্ৰয়োগ কৰিম, য'ত শ্ৰৱণৰ বাবে তেওঁলোকৰ কৰ্ণ উন্মুক্ত হয় ?

## খোদা আমাৰ সকলো প্ৰচেষ্টাৰ মূল স্তম্ভ

তোমালোকে যদি খোদাৰ ওচৰত আত্ম সমৰ্পন কৰা, তেনেহলে নিশ্চয় জানিবা যে খোদা তোমাৰেই। তোমালোক নিদ্ৰাভূত থাকিবা আৰু খোদা তোমালোকৰ বাবে জাগ্ৰত থাকিব। তোমালোক শত্ৰুৰ পৰা সম্পূৰ্ণ অজ্ঞ থাকিবা, কিন্তু খোদা তাৰ ওপৰত দৃষ্টি ৰাখিব আৰু তেওঁৰ (শত্ৰুৰ) ষড়যন্ত্ৰ ব্যৰ্থ কৰি দিব। তোমালোকে এতিয়াও নাজানা যে তোমাৰ খোদা কিমান শক্তিশালী ! যদি তোমালোকে অৱগত থাকিলাহেঁতেন তেন্তে দিনেকৰ বাবেও এই সংসাৰৰ কাৰণে চিন্তিত নহ'লাহেঁতেন। যি গৰাকীৰ হাতত ধনৰ আকৰ ৰৈছে সি জানো কেতিয়াবা এটা পইচা নষ্ট হলে তাৰ বাবে কোনো বিলাপ বা চিঞৰ-বাখৰ কৰি মৰে ? বৰঞ্চ তোমালোক যদি এই ধনকুবেৰৰ সম্বন্ধে জ্ঞাত থাকিলাহেঁতেন যে খোদা তোমালোকৰ সকলো প্ৰয়োজনৰ সময়ত কামত আহিব, তেনেহলে সংসাৰৰ বাবে তুমি ইমান আত্মহাৰা নহ'লাহেঁতেন। খোদা এক প্ৰিয় সম্পদ, তুমি তাক সমাদৰ কৰা, প্ৰত্যেক খোজত তেওঁৰেই তোমাৰ সহায়ক। তেওঁ বিনে তোমাৰ একোৰেই নাই আৰু তোমালোকৰ পাৰ্থিৱ উপকৰণো একো নাই। অন্য জাতিৰ অনুকৰণ নকৰিবা, যিবিলাক সম্পূৰ্ণ ৰূপে পাৰ্থিৱ উপকৰণৰ ওপৰত নিৰ্ভৰশীল আৰু সৰ্পই যেনেকৈ মাটি ভক্ষণ কৰে সিহঁতেও তেনেকুৱাই হেয় পাৰ্থিৱ উপকৰণৰ মৃত্তিকা ভক্ষণ কৰি আছে। শগুন আৰু কুকুৰে যেনেকৈ মৰাশ ভোগ কৰাত ব্যস্ত; সিহঁতেও তদ্ৰূপ মৰাশ ভক্ষণত ব্যস্ত; সিহঁত খোদাৰ পৰা বহু দূৰত। সিহঁতে মানৱৰ পূজা কৰিছে, শুকৰ বা গাহৰি ভক্ষণ কৰিছে, সুৰা পান কৰিছে আৰু অত্যাধিক পাৰ্থিৱ

সম্পদত মোহিত হোৱাত আৰু খোদাৰ পৰা শক্তি প্ৰাৰ্থনা নকৰাত সিহঁতৰ (আধ্যাত্মিক) মৃত্যু ঘটিছে। আধ্যাত্মিকতা সিহঁতৰ হৃদয় মন্দিৰক এনেভাৱে পৰিত্যাগ কৰিছে, যেনে কপোও তেওঁৰ পুৰাতন নীড়ক পৰিত্যাগ কৰি থাকে আৰু সংসাৰ পূজা কুষ্ঠ ৰোগে তেওঁলোকৰ আভ্যন্তৰীণ অঙ্গ-প্ৰতঙ্গক খণ্ড-বিখণ্ড কৰি পেলাইছে, অন্যথা তোমালোকে এনে কুষ্ঠ ৰোগক ভয় কৰা।

মই তোমালোকক সীমাৰ ভিতৰত থাকি উপকৰণ বা উপায় অৱলম্বন কৰিবলৈ নিষেধ নকৰো, কিন্তু যিজন খোদা উপকৰণ প্ৰদান কৰিছে, তেওঁক পাহৰি অন্য জাতিৰ অনুকৰণত কেৱল পাৰ্থিৱ উপকৰণৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিবলৈ মই তোমালোকক নিষেধ কৰো। তোমালোকৰ যদি চকু আছে তেন্তে অৱশ্যই দেখিব পাৰিবা যে একমাত্ৰ খোদা ভিন্ন আন সকলো বস্তুই তুচ্ছ। তেওঁৰ অনুমতি বিহীন নিজ হাতক প্ৰসাৰিত কৰিব নোৱাৰিবা, গোটাবও নোৱাৰিবা। কোনো আধ্যাত্মিক ব্যক্তি হয়তো এইটো শুনি বিদ্ৰূপ কৰিব পাৰে, কিন্তু হয় ! তেওঁৰ পক্ষে বিদ্ৰূপ কৰা অপেক্ষা মৃত্যুই শ্ৰেয় আছিল।

## সাৱধান অন্যান্য জাতিৰ কাৰ্যকলাপৰ প্ৰতিযোগীতা নকৰিবা

সাৱধান ! তোমালোকে অন্যান্য জাতিৰ ধন আৰু ঐশ্বৰ্য দেখি তেওঁলোকৰ কাৰ্যকলাপৰ প্ৰতিযোগীতা নকৰিবা আৰু সিহঁতৰ পাৰ্থিৱ উন্নতি চাই প্ৰলুব্ধ হৈ সিহঁতৰ পদাঙ্ক অনুসৰণ কৰিবলৈ নাযাবা। শ্ৰৱণ আৰু স্মৰণ কৰা যিসকলে তোমালোকক পাৰ্থিৱ সম্পদৰ প্ৰতি প্ৰলোভিত কৰি আছে সিহঁত খোদা সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ আৰু উদাসীন। সিহঁতৰ খোদা এক দুৰ্বল মানুহ আন একো নহয়। সেই বাবেই সিহঁত অৱহেলিত আৰু পৰিত্যক্ত।

মই তোমালোকক উপাৰ্জন আৰু শিল্পকাৰ্য নিষেধ কৰা নাই; কিন্তু

তোমালোকে সেইসকল লোকৰ অনুগামী নহ'বা, যিসকলে এই সংসাৰকেই সকলো বুলি ভাৱে, সাংসাৰিক সকলো শক্তি বা কৰ্মই খোদাৰ পৰা ক্ৰমাগত শক্তি আৰু সুযোগ প্ৰাৰ্থনা কৰি থকা তোমাৰ উচিত; কিন্তু কেৱল শুষ্ক আৰু ওঠৰ দ্বাৰা উচ্চাৰিত কৰা নহয়; বৰং প্ৰাৰ্থনাৰ লগত সত্য সত্যই যেন এই দৃঢ় বিশ্বাস থাকে যে প্ৰতিটো আশিস স্বৰ্গৰ পৰা অৱতীৰ্ণ হয়।

তোমালোক তেতিয়াই প্ৰকৃত ধাৰ্মিক হ'বা যেতিয়া প্ৰত্যেক কামত আৰু বিপদত কোনো দাবীৰ প্ৰচেষ্টা কৰাৰ আগত নিজৰ গৃহদোৱাৰ ৰুদ্ধ কৰি খোদাৰ দৰগাহত হাত তুলি কোৱা, হে মোৰ প্ৰভু ! বিপদত পৰিছো, তুমি মোক বিপদৰ পৰা ৰক্ষা কৰা। এৰূপ কৰিলে সৃষ্টিকৰ্তাই তোমাক সাহায্য কৰিব আৰু অদৃশ্য বা গায়েবৰ পৰা তোমাৰ বাবে উদ্ধাৰৰ পথ উন্মুক্ত কৰিব। নিজ আমাৰ প্ৰতি সদয় হোৱা আৰু যিসকলে খোদাৰ সৈতে সম্পূৰ্ণ ৰূপে সম্পৰ্ক বিচ্ছিন্ন কৰি সৰ্বতভাৱে পাৰ্থিৱ সম্পদৰ ওপৰত নিৰ্ভৰ কৰে, আনকি কাৰ্যাৰম্ভৰ আগত খোদাৰ ওচৰত শক্তি প্ৰাৰ্থনা কৰি ইনশা আল্লাহ বাক্যটোও উচ্চাৰণ নকৰে, সেইসকলৰ অনুগামী নহ'বা। খোদা তোমালোকৰ আধ্যাত্মিক দৃষ্টি প্ৰদান কৰক, যাতে তোমালোকে উত্তমৰূপে উপলব্ধি কৰিব পাৰা যে খোদাই তোমাৰ সকলো প্ৰচেষ্টাৰ মূল কাঠিস্বৰূপ, যদি কড়িকাঠ উভালি পৰে তেন্তে বৰ্গবিলা ছাদত অৱস্থান কৰিব নোৱাৰে, বৰঞ্চ সেইবিলাক তৎক্ষণাত পৰি যায় আৰু তাৰ দ্বাৰা বহুতৰ প্ৰাণহানি হোৱাৰ সম্ভাৱনা থাকে; কি তেনেদৰে খোদা তা'লাৰ সাহায্য নোহোৱাকৈ তোমালোকৰ সকলো প্ৰচেষ্টা বিফল। যদি তুমি তেওঁৰ সাহায্য প্ৰাৰ্থনা নকৰা বা তেওঁৰ ওচৰত ক্ষমতা বা শক্তি ভিক্ষা জীৱনৰ এক মূল নীতি বুলি জ্ঞান নকৰা, তেনেহলে তোমাৰ কোনো সফলতা লাভ কৰা সম্ভৱ নহয়, আৰু পৰিৱেশত বৰ আক্ষেপৰ সৈতে তোমাৰ প্ৰাণ বিসৰ্জন কৰিব লাগিব।

কেতিয়াবা মনত এনে কথা স্থান নিদিবা অন্যান্য জাতি কেনেকৈ কৃতকাৰ্য হৈছে? সিহঁতে কামেল (সৰ্ব গুণ সম্পন্ন) আৰু কাদিৰ (সৰ্বশক্তিমান) খোদাৰ বিষয়ে একো অৱগত নহয়। ইয়াৰ উত্তৰ এয়ে যে তেওঁলোক খোদাক পৰিত্যাগ কৰাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছে। খোদা তা'লাৰ পৰীক্ষা কেতিয়াবা এনেকুৱা হয় যে যি ব্যক্তি তেওঁক পৰিত্যাগ কৰি পাৰ্থিৱ সুখ সম্পদৰ প্ৰতি মত্ত হয়, তেওঁৰ বাবে খোদা তা'লা পাৰ্থিৱ উন্নতিৰ দ্বাৰ উন্মুক্ত কৰি দিয়ে; কিন্তু ধৰ্মীয় দিশত সি সম্পূৰ্ণ উলঙ্গ হৈ যায়, শেষত পাৰ্থিৱ দুশ্চিন্তাতেই তেওঁৰ মৃত্যু ঘটে সি চিৰস্থায়ী নৰকত নিক্ষিপ্ত হয়। কিন্তু শেষৰ পৰীক্ষায় নিপতিত ব্যক্তি অধিকতৰ গৰ্বিত হয়। যিকি নহওঁক এওঁলোক অভিশপ্ত প্ৰকৃত সুখৰ উৎস খোদা। এইসকল ব্যক্তি সেই হাইউন ( নিজে চিৰঞ্জীৱ আৰু আনৰ জীৱনৰ কাৰণ) আৰু কাইউম ( নিজে চিৰস্থায়ী) আৰু আনৰ স্থিতিৰ কাৰণ খোদা সম্বন্ধে অজ্ঞ, বৰং উদাসীন আৰু তাৰ পৰা বিমুখ আছে বাবেই তেওঁলোক প্ৰকৃত সুখৰ অধিকাৰী হ'ব নোৱাৰে। যিয়ে এই ৰহস্য উপলব্ধি কৰিব পাৰিছে, সি মোবাৰক (ধন্য) আৰু যিয়ে পাৰা নাই, সি নিধান প্ৰাপ্ত।

গতিকে পাৰ্থিৱ দাৰ্শনিক সকলক অনুসৰণ কৰা আৰু সেইসকলক সন্মানৰ চকুৰে দেখা তোমালোকৰ উচিত নহয়, কাৰণ পাৰ্থিৱ দৰ্শন অজ্ঞতাপূৰ্ণ। খোদাৰ কালামত (বাণীত) যে জ্ঞান দিয়া হৈছে, সিয়েই প্ৰকৃত জ্ঞান। যিসকল পাৰ্থিৱ দৰ্শনৰ প্ৰতি আসক্ত হৈছে, সেই সকল ধ্বংসপ্ৰাপ্ত হৈছে আৰু যিসকল খোদাৰ কিতাপত প্ৰকৃত জ্ঞান আৰু দৰ্শনৰ অনুসন্ধান কৰিছে সেই সকলেই সফলকামী হৈছে। অজ্ঞতাৰ পথ কিয় অৱলম্বন কৰা? তুমি কি খোদাক এনে কথা শিকাব বিচৰা, যিটো তেওঁ নামানে? হে অজ্ঞ ব্যক্তিসকল ! যি নিজেই অন্ধ সি তোমালোকক কেনেকৈ পথ প্ৰদৰ্শন কৰিব? প্ৰকৃত জ্ঞান ৰূহুল কুদুছৰ সাহায্যত লাভ হয়। যাৰ সম্বন্ধে তোমালোকক প্ৰতিশ্ৰুতি দিয়া হৈছে। এই ৰূহৰ সহায়ত

তোমালোকে সেই দিব্যজ্ঞান লাভ নকৰিবা, যিটো আন কোনেও লাভ কৰিব নোৱাৰে। যদি নিষ্ঠাৰে চেষ্টা কৰা, তেন্তে এদিনাখন এই জ্ঞান লাভ কৰিবা। তেতিয়া তুমি উপলব্ধি কৰিবা যে এই জ্ঞানেই হৃদয়ক সজীৱতা প্ৰদান কৰে জীৱন দান কৰে আৰু বিশ্বাসৰ প্ৰান্তত পৌচাই দিয়ে, যি নিজে অপৱিত্ৰ দ্ৰব্য সেৱন কৰে, সি ক'ৰ পৰা তোমাক পৱিত্ৰ খাদ্য প্ৰদান কৰিব? প্ৰত্যেক পৱিত্ৰ জ্ঞান স্বৰ্গৰ পৰা অৱতীৰ্ণ হয়, গতিকে মৰ্ত্তৰ মানুহৰ পৰা কিবা আশা কৰা অনুচিত। যিসকলৰ আত্মা স্বৰ্গৰ ফালে ধাৱিত হয়, সেইসকলেই দিব্যজ্ঞানৰ অধিকাৰী হয়। যি নিজেই শান্তনা লাভ কৰিব নোৱাৰে সি কেনেকৈ তোমাক শান্তনা দিব? কিন্তু ইহঁতে স্বৰ্গীয় সুখ লাভ কৰিবলৈ হলে প্ৰথমতে অন্তৰখন পৱিত্ৰ, নিষ্ঠা আৰু সৰল হোৱা আৱশ্যক। ইয়াৰ পিছত উল্লেখিত সকলোবোৰ তোমালোকক দিয়া হ'ব।

## ওহীৰ দৰজা এতিয়াও খোলা আছে

কেতিয়াও এইটো মন নকৰিবা যে বৰ্তমান বা ভৱিষ্যতত আৰু খোদাৰ ওহী (ঐশ্বৰিক বাণী) অৱতীৰ্ণ নহ'ব; যি অৱতীৰ্ণ হোৱাৰ সি অতীততেই হৈ গৈছে, বৰ্তমানত আৰু অৱতীৰ্ণ নহ'ব। মই তোমালোকক সঁচাকৈ কৈছো যে প্ৰতিটো দুৱাৰেই বন্ধ হ'ব পাৰে কিন্তু ৰূহুল কুদুছ অৱতীৰ্ণ হোৱাৰ দুৱাৰ কেতিয়াও বন্ধ নহ'ব। তুমি তোমাৰ হৃদয়ৰ দ্বাৰ উন্মুক্ত কৰা, যাতে তেওঁ তাত প্ৰৱেশ কৰিব পাৰে। জ্যোতি প্ৰৱেশৰ দুৱাৰ বন্ধ কৰি তুমি নিজেই নিজৰ আত্মাক এই সূৰ্যৰ পৰা দূৰলৈ ঠেলি দিছা। হে অজ্ঞ! উঠা আৰু হৃদয়ৰ খিৰিকি খুলি দিয়া। তেতিয়াহে জ্যোতি নিজেই তোমাৰ অন্তৰত প্ৰৱেশ কৰিব। খোদা তা'লা যেতিয়া পাৰ্থিৱ ফয়েজৰ (অনুগ্ৰহৰ) পথ এই যুগে তোমালোকৰ বাবে বন্ধ কৰা নাই বৰং প্ৰশস্ত কৰি ৰাখিছে, তেতিয়া তোমালোকে কেতিয়াও ধাৰণা কৰিবা পাৰা যে তেওঁ তোমালোকৰ বাবে যিটো এতিয়াও একান্ত আৱশ্যক সেইটো বন্ধ

কৰি দিছেনে ? কেতিয়াও নহয়, বৰং তাতকৈ অধিক প্ৰশস্ত ভাৱে এতিয়া সেইটো উন্মুক্ত কৰা হৈছে। ছুৰা ফাতিহাত প্ৰদত্ত নিজৰ শিক্ষানুযায়ী খোদা তা'লা যেতিয়া অতীতত সকলো আশীৰ্বাদৰ দুৱাৰ বৰ্তমানত তোমালোকৰ বাবে উন্মুক্ত কৰিছে, তেতিয়া তোমালোকে কিয় সেইটো গ্ৰহণ কৰাত অস্বীকাৰ কৰিছা ? সেই উৎসৱৰ পিয়সী হোৱা, তেতিয়াহ'লে সেইটো আপোনা আপুনি তোমাৰ ওচৰত আগমন হ'ব। সেই গাখীৰৰ বাবে তোমালোক শিশুৰ দৰে ক্ৰন্দন কৰা, যি গাখীৰ নিজেই স্তনৰ পৰা নিৰ্গত হয়। তোমালোকে দয়াৰ যোগ্যৰ পাত্ৰ হোৱা, তেতিয়াহ'লে তোমালোকৰ প্ৰতি দয়া কৰা হ'ব। উদ্বিগ্ন হোৱা, শান্তনা পাবা। বাৰে বাৰে ক্ৰন্দন কৰা যেনে সপোনতেই ঐশ্বৰিক হাতৰ দ্বাৰা তোমালোকক শান্তনা দিয়ে। আল্লাহৰ বাট বৰ দুৰ্গম, কিন্তু যি ব্যক্তি মৃত্যুক বৰণ কৰি অতল গহ্বৰত পতিত হয়, তেওঁৰ প্ৰতি ই সুগম হৈ যায়।

গতিকে ধন্য সেই ব্যক্তি যি খোদাৰ বাবে নিজ প্ৰবৃত্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰে আৰু দুৰ্ভগীয়া সেইজন যিজন নিজৰ প্ৰবৃত্তিৰ বাবে খোদাৰ বিৰুদ্ধে সংগ্ৰাম কৰে আৰু তেওঁৰ সৈতে সম্বন্ধ স্থাপন নকৰে। যি ব্যক্তি নিজ প্ৰবৃত্তিৰ বসবৰ্তী হৈ খোদাৰ আদেশ লঙ্ঘন কৰে সেইজন কেতিয়াও স্বৰ্গত প্ৰৱেশ লাভ কৰিব নোৱাৰে। গতিকে তোমালোক সদায় সচেষ্ট থাকিবা যাতে কোৰাণ শ্বৰীফৰ এক বিন্দুমাত্ৰও তোমালোকৰ বিৰুদ্ধে সাক্ষী নিদিয়ে আৰু তাৰ বাবে যাতে তোমালোক ধৃত নোহোৱা, কাৰণ বিন্দু পৰিমাণ অন্যায়ো দণ্ডনীয়। সময় সংকীৰ্ণ আৰু জীৱনৰ কৰ্তব্য অনন্ত। দ্ৰুত গমন কৰা, কাৰণ সন্ধ্যা সমাগত। যিবোৰ উপস্থিত কৰিবৰ বাবে আছে তাক পুনঃ পুনঃ চাই লোৱা, যাতে ক্ষতিৰ কাৰণ নহয় বা সকলোবোৰ পচা বা অচল বুলি ৰজাৰ দৰবাৰত অগ্ৰাহ্য নহয়।

## কোৰাণ মজিদৰ উচ্চ মৰ্যদা

মই শুনিছো যে তোমালোকৰ কোনোয়ে কোনোয়ে হাদিছক বোলে

অবিশ্বাস কৰা, যদি কোনোবাই এনেকুৱা কৰা তেনেহ’লে তেওঁ মাৰাত্মক ভুল কৰিছে। মই কেতিয়াও এনে কৰিব কোৱা নাই, বৰং মোৰ শিক্ষা এয়ে যে তোমালোকৰ হেদায়েতৰ বাবে আল্লাহ তা’লা তিনিটা বস্তু দিছে। সৰ্বপ্ৰথম কোৰাণ শ্বৰীফ, য’ত খোদাৰ তৌহিদ (একত্ব), গৌৰব আৰু মাহাত্ম বৰ্ণনা কৰা হৈছে আৰু ইহুদীসকলৰ মাজত যি মতভেদৰ সৃষ্টি হৈছিল তাৰ মীমাংসা কৰা হৈছে।

তেনেদৰে কোৰাণ শ্বৰীফত খোদা ভিন্ন আন বস্তুৰ উপাসনা কৰিবলৈ নিষেধ কৰা হৈছে, সি কোনো মানুহ বা পশুই হওঁক, চন্দ্ৰ, সূৰ্য বা কোনো নক্ষত্ৰ, কোনো উপায় বা উপকৰণেই হওঁক বা তেওঁৰ নিজ ব্যক্তিত্বই হওঁক। সেয়ে তোমালোক সাবধান হোৱা আৰু খোদাৰ শিক্ষা আৰু কোৰাণৰ হেদায়েতৰ বিৰুদ্ধে এক পদও অগ্ৰসৰ নহ’বা। মই সঁচাকৈ কৈছো যে যি ব্যক্তি কোৰাণ শ্বৰীফৰ সাত শ আদেশৰ এটা ক্ষুদ্ৰ আদেশক লঙ্ঘন কৰে, সি নিজ হাতে নিজৰ মুক্তিৰ দুৱাৰ ৰুদ্ধ কৰে। প্ৰকৃত আৰু পূৰ্ণ মুক্তিৰ পথ কোৰাণ শ্বৰীফেই উন্মুক্ত কৰিছে আৰু অৱশিষ্ট সকলো গ্ৰন্থই তেওঁৰ প্ৰতিচ্ছবি স্বৰূপ আছিল। গতিকে কোৰাণ শ্বৰীফ গভীৰ মনোযোগেৰে পাঠ কৰা আৰু তেওঁৰ সৈতে প্ৰণয় আৰু অনুৰাগৰ সম্বন্ধ স্থাপন কৰা, যি প্ৰায় বা অনুৰাগৰ সম্বন্ধ আন কাৰো লগত কৰা নাই। কাৰণ খোদা তা’লা মোক সম্বোধন কৰি কৈছে,

اَلْخَيْرُ كُلُّهٗ فِى الْقُرْاٰنِ

অৰ্থ ঃ সকলো প্ৰকাৰ মঙ্গল কোৰাণ শ্বৰীফত নিহিত আছে।

এই কথা সত্য। তোমালোকৰ সমস্ত সফলতা আৰু মুক্তিৰ উৎস কোৰাণ শ্বৰীফত আছে। তোমালোকৰ এনে কোনো ধৰ্ম সম্বন্ধীয় প্ৰয়োজনীয় বিষয় নাই যিটো কোৰাণ শ্বৰীফত নাই। কিয়ামতৰ দিনা তোমালোকৰ সততাৰ মানদণ্ড কেৱল মাত্ৰ কোৰাণ শ্বৰীফখনেই হ’ব। কোৰাণৰ বাহিৰে পৃথিৱীৰ বুকুত আন কোন গ্ৰন্থ নাই, যিয়ে কোৰাণৰ সাহায্যৰ বাহিৰে তোমাক

হেদায়ত প্ৰদৰ্শন কৰিব পাৰে। খোদা তোমাৰ প্ৰতি বহু অনুগ্ৰহ কৰিছে যে কোৰাণ শ্বৰীফৰ দৰে ধৰ্মগ্ৰন্থ তোমালোকক প্ৰদান কৰা হৈছে, সেইটো যদি খ্ৰীষ্টান সকলক দিলেহেঁতেন, তেনেহ'লে ধ্বংস প্ৰাপ্ত নহ'লহেঁতেন। এই যি নিয়ামত আৰু হেদায়ত তোমালোকক প্ৰদান কাৰ হৈছে সেইটো যদি ইহুদীসকলক তৌৰাতৰ স্থলত দিলেহেঁতেন, তেনেহ'লে সিহঁতৰ কোনেও কিয়ামতৰ অস্বীকাৰকাৰী নহ'লহেঁতেন। গতিকে তোমালোকে আল্লাহ প্ৰদত্ত এই নিয়ামতৰ মৰ্যদা উপলব্ধি কৰা; ই এক প্ৰিয় নিয়ামত মহা সম্পদ। যদি কোৰাণ শ্বৰীফ নাজিল নহ'লহেঁতেন গোটেই পৃথিৱীখন অপৱিত্ৰ মাংস পিণ্ডৰ দৰে থাকিলেহেঁতেন। কোৰাণ শ্বৰীফৰ আগত সকলো বিধান তুচ্ছ।

যদি বাহ্যিক বা আভ্যন্তৰীণ কোনো খুদ নাথাকে, তেন্তে কোৰাণ শ্বৰীফ মানুহক এসপ্তাৰ ভিতৰত পৱিত্ৰ কৰিব পাৰিব। যদি তোমালোকে নিজে কোৰাণ শ্বৰীফৰ পৰা বিমুখ নোহোৱা, তেনেহ'লে ই তোমালোকক নবী সদৃশ কৰিব পাৰে। কোৰাণ শ্বৰীফৰ বাহিৰে আন কোন শাস্ত্ৰই পাঠকক প্ৰথমতেই এই প্ৰাৰ্থনাৰ শিক্ষা দিছে আৰু এই আশ্বাস দিছে যে,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ‏ ﴿٦﴾ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ (1:6-7)

আমাক সেই পুৰস্কাৰ লাভৰ পথ প্ৰদৰ্শন কৰা, যি পূৰ্বৱৰ্তীসকলক প্ৰদান কৰা হৈছিল, যিসকল নবী, ছিদ্দিক, শ্বহীদ আৰু চালেহ আছিল।

সেয়ে নিজৰ সাহস বৃদ্ধি কৰা আৰু কোৰাণ শ্বৰীফৰ আহ্বানক অগ্ৰাহ্য নকৰিবা, ই তোমালোকক সেই সকলো আশিস প্ৰদান কৰিব বিচাৰে, যিটো তোমাৰ পূৰ্বৱৰ্তী সকলক প্ৰদান কৰা হৈছিল।

বৰঞ্চ আল্লাহ তা'লা তোমালোকৰ প্ৰতি অধিকতৰ অনুগ্ৰহ প্ৰকাশ কৰাৰ ইচ্ছা কৰে। তেওঁ তোমালোকক তেওঁলোকৰ তৌফিক আৰু আধ্যাত্মিক

উভয় সম্পদৰ উত্তৰাধিকাৰী কৰিছে; কিন্তু কিয়ামতলৈকে খোদা তা'লা তোমালোকক ওহী, এলহাম, মোকালমা আৰু মোখাতিবা ( খোদাৰ সৈতে বাক্যালাপ)ৰ পৰা কেতিয়াও বঞ্চিত নাৰাখিব। তেওঁ পূৰ্ব্বৱৰ্তী উম্মতক যিবিলাক নিয়ামত প্ৰদান কৰিছিল তেনেদৰে তেওঁ তোমালোককো প্ৰদান কৰিব; কিন্তু যিজনে উদ্ধত্য প্ৰকাশ কৰি আল্লাহৰ প্ৰতি মিছা আৰোপ কৰি ক'ব যে তেওঁ তেওঁৰ প্ৰতি ওহী অৱতীৰ্ণ কৰিছে,অথচ প্ৰকৃতপক্ষত কোনো ওহী তেওঁৰ ওপৰত অৱতীৰ্ণ হোৱা নাই, অথবা যিজনে ক'ব আল্লাহৰ সৈতে তেওঁৰ মোকালমা, মোখাতিবা হৈছে অথচ বাস্তৱতে সেইটো নহয়; মই তেনে ব্যক্তি সম্পৰ্কে আল্লাহ তা'লা আৰু তেওঁৰ ফিৰিস্তা সকলক সাক্ষী ৰাখি কৈছো সি ধ্বংসপ্ৰাপ্ত হ'ব। কাৰণ নিজ স্ৰষ্টাৰ প্ৰতি মিছা আৰোপ কৰিছে আৰু তেওঁৰ সৈতে প্ৰতাৰণা কৰিছে।

## ছুন্নত

হিদায়তৰ দ্বিতীয় উপায় যি মুছলমান সকলক প্ৰদান কৰা হৈছে সেইটো ছুন্নত, অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ ব্যৱহাৰিক জীৱন পদ্ধতি যিটো তেওঁ কোৰাণ শ্বৰীফৰ আদেশাৱলীৰ ব্যাখ্যা স্বৰূপ কাৰ্য্যত প্ৰদৰ্শন কৰি গৈছে, যেনে কোৰাণ শ্বৰীফত প্ৰকাশিত, দৈনিক পাঁচ বাৰ নামাজৰ ৰাকাত সমূহ, অৰ্থাৎ প্ৰাতকালতকেই ৰাকাত আৰু অন্যান্য সময়ত কিমান ৰাকাত তাক জনা নাযায়। কিন্তু ছুন্নত সকলো বিষয় ব্যক্ত কৰিছে; ছুন্নত আৰু হাদীছ একে বস্তু বুলি ভাৱি যাতে ভুল নকৰে, কাৰণ হাদীছ এশ বা ডেৰশ বছৰ পিছত গৃহীত হৈছিল, কিন্তু ছুন্নত কোৰাণ শ্বৰীফৰ লগতেই বিদ্যমান আছিল। কোৰাণ শ্বৰীফৰ পিছত ছুন্নতেই মুছলমান সকলৰ প্ৰতি ৰছুল কৰিম (ছাঃ)ৰ শ্ৰেষ্ঠ দান। ৰছুল কৰীম (ছাঃ)ৰ দায়িত্বত কেৱল দুটা বিষয় আছিল আৰু সেইখন এয়া যে খোদা তা'লা কোৰাণ অৱতীৰ্ণ কৰি নিজ আয়াতৰ দ্বাৰা সৃষ্টি জীৱক নিজ ইচ্ছা জ্ঞাপন কৰিছে। এইটো আছিল ঐশ্বৰিক বিধানৰ কৰ্তব্য। ৰছুলুল্লাহ (ছাঃ)ৰ কৰ্তব্য আছিল খোদা তা'লাৰ

কাৰ্য্যত পৰিণত কৰি মানুহক উত্তম ৰূপত বুজাই দিয়া। সেয়ে ৰছুল কৰীম (ছাঃ) খোদাৰ সেই বাণীক কৰ্মৰ মাজত ফুটাই তুলিছে আৰু নিজ ছুন্নত অৰ্থাৎ ব্যৱহাৰিক জীৱনৰ দ্বাৰা বিধি-বিধান সম্পৰ্কিত কঠিন সমস্যা আদিৰ মীমাংসা কৰি দিছে। এইটো কোৱা উচিত নহ'ব যে ইয়াৰ মীমাংসাৰ দায়িত্ব হাদীছৰ। কাৰণ হাদীছৰ অস্তিত্বৰ আগত জগতত ইছলাম প্ৰতিষ্ঠিত হৈছিল, হাদীছ সংগৃহীত হোৱাৰ আগত নামাজ পঢ়া নাছিল নে,জাকাত প্ৰদান কৰা নাছিল নে, হজ্ব সম্পাদন কৰা নাছিল নে,হালাল হাৰাম (বৈধ অবৈধ) বিষয় সম্পৰ্কে জনা নাছিলনে ?

## হাদীছৰ মৰ্যদা কোৰাণ আৰু ছুন্নতৰ অনুগামীৰ

অৱশ্যে হিদায়ত লাভৰ তৃতীয় উপায় হাদীছ। কাৰণ হাদীছ ইছলামৰ ঐতিহাসিক নৈতিক আৰু বিধি-বিধান সম্পৰ্কীয় বহু বিষয় সুস্পষ্ট ভাৱে বৰ্ণনা কৰে। অধিকাংশ হাদীছৰ এক ডাঙৰ উপকাৰীতা এই যে ই কোৰাণ আৰু ছুন্নতৰ সেৱা কৰে। যিসকলে কোৰাণৰ মৰ্যাদা নুবুজে সেইসকলে এই বিষয়ত হাদীছক কোৰাণ শ্বৰীফৰ কাজী বা বিচাৰক বোলে, যেনে ইহুদীসকলে সিহঁতৰ হাদীছ সম্পৰ্কে কৈ থাকে; কিন্তু আমি হাদীছক কোৰাণ আৰু ছুন্নতৰ সেৱক ৰূপে জ্ঞান কৰো আৰু ই কাৰো অবিদিত নহয় যে সেৱকৰ দ্বাৰাই মৰ্যদা বৃদ্ধি পায়। কোৰাণ আল্লাহৰ বাণী আৰু ছুন্নত ৰছুলুল্লাহ (ছাঃ)ৰ কাৰ্যপদ্ধতি আৰু হাদীছ ছুন্নতৰ সমৰ্থনকাৰী সাক্ষী স্বৰূপ, নাউজুবিল্লাহ হাদীছক কোৰাণৰ বিচাৰক বুলি ভৱা মহা ভ্ৰম। কোৰাণৰ ওপৰত যদি কোনো বিচাৰক আছে তেন্তে সেয়া কোৰাণেই, হাদীছ আনুমানিক প্ৰমাণ স্বৰূপত গৃহীত হ'ব পাৰে; কিন্তু কোৰাণৰ বিচাৰকৰ্তা হ'ব নোৱাৰে। ই কেৱল সমৰ্থনকাৰী প্ৰমাণস্বৰূপ, কোৰাণ আৰু ছুন্নত যাৱতীয় মূল বিষয় কাৰ্যত প্ৰদৰ্শন কৰিছে আৰু হাদীছ কেৱল সমৰ্থনকাৰী সাক্ষীস্বৰূপ, কোৰাণৰ ওপৰত হাদীছ কেনেকৈ বিচাৰক হ'ব পাৰে ? কোৰাণ আৰু ছুন্নত সেই যুগত মানুহক পথ প্ৰদৰ্শন স্বৰূপ আছিল যেতিয়া

এই কৃত্ৰিম কাজিৰ কোনো অস্তিত্বই নাছিল। কোৱা অনুচিত যে হাদীছ কোৰাণৰ ওপৰত বিচাৰক, বৰঞ্চ এই কথা কোৱা যুগুত হাদীছ কোৰাণ আৰু ছুন্নতৰ বাবে সমৰ্থনকাৰী সাক্ষ্যস্বৰূপ। ছুন্নত এনেকুৱা এক বস্তু যি কোৰাণৰ উদ্দেশ্য ব্যক্ত কৰে। ছুন্নতৰ দ্বাৰা সেই কথা বুজায় যি পথত আঁ-হজৰত (ছাঃ) তেওঁৰ চাহাবা সকলক কৰ্মত পৰিচালিত কৰিছিল। ছুন্নত সেই সমূহ কথা নহয় যিটো হজৰত ৰছুল কৰীম (ছাঃ)ৰ প্ৰায় এশ বছৰ  পিছত পুথি আকাৰত লিপিবদ্ধ হৈছিল আৰু সেইবিলাকৰ নামেই হৈছে হাদীছ। ছুন্নত হৈছে এক আদৰ্শ কৰ্ম পদ্ধতি যি পুণ্যবান মুছলমান সকলৰ কৰ্ম জীৱনত প্ৰথমৰ পৰাই চলি আহিছে আৰু যাৰ ওপৰত সহস্ৰ মুছলমানক পৰিচালিত কৰা হৈছে। অৱশ্যে হাদীছৰ অধিকাংশ বিষয় যদিও আনুমানিক প্ৰমাণৰ স্তৰত অৱস্থিত, তথাপি কোৰাণ আৰু ছুন্নতৰ বিৰোধী নহলে সেয়া দলিল ৰূপত গৃহীত হ'ব পাৰে। ই কোৰাণ আৰু ছুন্নতৰ সমৰ্থনকাৰী আৰু ইয়াত ইছলামৰ অনেক বিধি-বিধানৰ ভাণ্ডাৰ নিহিত আছে।

সেয়েহে  হাদীছৰ মৰ্যদা নকৰিলে ইছলামৰ এক অঙ্গ হানি কৰা হয়। অৱশ্যে যদি কোনো হাদীছ কোৰাণ কৰ্তৃক সমৰ্থিত আন কোনো হাদীছৰ বিপৰীত হয় নাইবা উদাহৰণস্বৰূপে, এনে কোনো হাদীছ দেখা যায় যি ছহী বুখাৰী বিৰোধী, কিন্তু এনে হাদীছ গ্ৰহণযোগ্য নহয়; কাৰণ এনে হাদীছ গ্ৰহণ কৰিলে কোৰাণ আৰু কোৰাণৰ সমৰ্থিত হাদীছক অগ্ৰাহ্য কৰা হয়, আৰু মোৰ বিশ্বাস কোনো ধৰ্মপৰায়ণ ব্যক্তি এনে কোনো হাদীছৰ প্ৰতি বিশ্বাস স্থাপন কৰিবলৈ সাহসী নহ'ব, যি কোৰাণ আৰু ছুন্নত আৰু কোৰাণ শ্বৰীফ সন্মত হাদীছৰ পৰিপন্থী। যিয়েও হওঁক হাদিছৰ সন্মান কৰা আৰু তাৰ দ্বাৰা উপকৃত হোৱা, কাৰণ সেয়া আঁ-হজৰত (ছাঃ)ৰ প্ৰতি আৰোপিত হয় আৰু যেতিয়ালৈকে সেয়া কোৰাণ আৰু ছুন্নত কৰ্তৃক ভুল প্ৰতিপন্ন নহয়, তেতিয়ালৈকে তোমালোকেও সেয়া ভুল বুলি প্ৰতিপন্ন

নকৰিবা। আনফালে নবী কৰীম (ছাঃ)ৰ হাদীছ তোমালোকে এনেভাৱে পালন কৰা উচিত যেন তোমালোকৰ কোনো গতি বা স্থিতি আৰু কোনো কৰ্মবিৰতি হাদীছৰ পৰিপন্থী নহয়।

## ভৱিষ্যদ্বাণী সম্বলিত হাদীছসমূহ পৰীক্ষা কৰাৰ প্ৰণালী

আকৌ যদি কোনো হাদীছ কোনো ভৱিষ্যদ্বাণী সম্বলিত হয়, কিন্তু হাদীছ সংকলনকাৰী সকলৰ মতে সেয়া দুৰ্বল প্ৰতিপন্ন হয়, অথচ তোমালোকৰ যুগত অথবা ইয়াৰ পূৰ্বে সেই হাদীছ সম্বলিত ভৱিষ্যদ্বাণী সম্পূৰ্ণ হৈ থাকে তেন্তে সেই হাদীছ সত্য বুলি গ্ৰহণ কৰা আৰু যিসকল মুহাদ্দিছ (হাদীছৰ সংকলনকাৰী) আৰু বৰ্ণনাকাৰী এনেধৰণৰ হাদীছক দুৰ্বল বুলি সাব্যস্ত কৰিছে; সিহঁতক ভ্ৰান্ত আৰু মিছলীয়া জ্ঞান কৰা। এনেকুৱা শতাধিক ভৱিষ্যদ্বাণী সম্বলিত হাদীছ আছে; যাৰ অধিকাংশ মুহাদ্দীছ সকলৰ ওচৰত মজৰুহ অথবা দুৰ্বল। সেয়েহে যদি এনেকুৱা কোনো হাদীছ পৰিপূৰ্ণ হয় আৰু তোমালোকে ইয়াক এই বুলি বৰ্জন কৰা যে এইটো হাদীছ দুৰ্বল অথবা ইয়াৰ কোনো বৰ্ণনা কাৰী ধাৰ্মিক নহয়, তেন্তে এনে অৱস্থাত এনেধৰণৰ হাদীছক প্ৰত্যাখ্যান কৰা তোমালোকৰ নিজৰ বেঈমানী হ'ব। কাৰণ আল্লাহ তা'লা নিজেই ইয়াৰ সত্যতা প্ৰকাশ কৰি দিছে। মন কৰা যদি এনেকুৱা সহস্ৰ হাদীছ থাকে আৰু মুহাদ্দীছসকল সেইবোৰক দুৰ্বল কৈ থাকে অথচ এইবোৰ হাদীছ সম্বলিত সহস্ৰ ভৱিষ্যদ্বাণী পৰিপূৰ্ণ হয় তেন্তে তোমালোক এনেকুৱা হাদীছসমূহক দুৰ্বল জ্ঞান কৰি ইছলামৰ সহস্ৰ প্ৰমাণ বিনষ্ট কৰি দিবা ? এনে কৰিলে তোমালোকে ইছলামৰ শত্ৰু বুলি প্ৰতিপন্ন হ'বা। আল্লাহ তা'লা কৈছে,

فَلَا يُظْهِرُ عَلٰى غَيْبِهٖٓ اَحَدًا ﴿٢٧﴾ اِلَّا مَنِ ارْتَضٰى مِنْ رَّسُوْلٍ

(72:27-28)

সেইজনাই তেওঁৰ গুপ্ত কথা কালৈকে প্ৰকাশ নকৰে, কেৱল সেইজনাৰ

নিজে বাচি লোৱা পয়গম্বৰৰ বাহিৰে।

এইদৰে সত্য ভৱিষ্যদ্বাণী সত্য ৰছুলৰ বাহিৰে আৰু কাৰ প্ৰতি আৰোপিত হ'ব পাৰে? এনে স্থলত এইটো কোৱা কি ঈমানদাৰীৰ কথা নহয় যে কোনো কোনো মুহাদ্দিছ শুদ্ধ হাদীছক দুৰ্বল বুলি ভ্ৰম কৰিছে? নতুবা এইটো কোৱা কি উপযোগী হ'ব যে মিছা হাদীছক সত্য বুলি প্ৰতিপন্ন কৰি আল্লাহ তা'লা ভুল কৰিছে? যদি কোনো হাদীছ দুৰ্বল শ্ৰেণীৰ হৈ থাকে অথচ কোৰাণ মজিদ আৰু ছুন্নতৰ বিৰোধী নহয়; আৰু এনেকুৱা হাদীছ বিৰোধ নহয় যিটো কোৰাণৰ সন্মত হয় তেন্তে এনে ধৰণৰ হাদীছৰ ওপৰত আমল কৰা। কিন্তু খুব সাৱধানতাৰ সৈতে হাদীছৰ ওপৰত আমল কৰা উচিত, কিয়নো বহুত মত্তযু হাদীছ আছে যাৰ কাৰণে ইছলামত ফিৎনা সৃষ্টি হৈছে। প্ৰতিটো ফিৰকাই নিজৰ আকীদা (ধৰ্ম বিশ্বাস) অনুসৰি হাদীছ মানি চলে। এনেকুৱা হৈছে যে হাদীছৰ বৈষম্য নামাজৰ দৰে নিয়মিত ফৰজ সমূহকো বিভিন্ন আকৃতি প্ৰদান কৰিছে। কোনোবাই আমিন উচ্চস্বৰে কয়, কোনোবাই লুকাই, কোনোবাই ইমামৰ পিছত ফাতিহা পাঠ কৰে আৰু কোনোবাই এইদৰে পাঠ কৰিলে নামাজৰ আচাৰ বিৰোধী হয় বুলি জ্ঞান কৰে। কোনোবাই বুকুৰ ওপৰত হাত ধাৰণ কৰে, কোনোবাই নাভিৰ তলত ৰাখে আৰু ইয়াৰ বৈষম্যৰ প্ৰধান কাৰণেই হৈছে হাদীছ।

كُلُّ حِزْبٍۭ بِمَا لَدَيْهِمْ فَرِحُوْنَ (30:33)

প্ৰত্যেকটো দল সিহঁতৰ কাষত যি আছে তাক লৈ উল্লাসিত।

অন্যথা ছুন্নতে এটাই পদ্ধতি বৰ্ণনা কৰিছিল। তাৰ পাছত বিভিন্ন বৰ্ণনাৰ সংমিশ্ৰণে এই পদ্ধতিৰ ভাৰসাম্য হেৰাই পেলাইছে।

## পাপৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায় পূৰ্ণ বিশ্বাস

হে ঈশ্বৰ সন্ধানী বান্দাসকল ! মন কাণ দি শুনা,একীনৰ (দৃঢ় বিশ্বাসৰ)সদৃশ কোনো বস্তু নাই। একমাত্ৰ ইয়াকীনেই মানুহক পাপ কাৰ্য্যৰ পৰা পৰিত্ৰাণ

কৰে। ইয়াকীনেই মানুহক আল্লাহ তা'লাৰ প্ৰকৃত প্ৰেমিক হোৱাত অনুপ্ৰাণিত কৰে। ইয়াকীন অবিহনে তোমালোকে পাপ কাৰ্য্যক এৰিব পাৰিবা নে? ইয়াকীনৰ পোহৰ নোহোৱাকৈ তোমালোকে প্ৰবৃত্তিৰ উত্তেজনাক দমন কৰিব পাৰিবা নে? ইযাকীন অবিহনে তোমালোকে কোনো শান্তি লাভ কৰিব পাৰিবা নে? ইয়াকীন অবিহনে তোমালোকে কোনো প্ৰকৃত পৰিৱৰ্তন সাধন কৰিব পাৰিবা নে? ইয়াকীন অবিহনে তোমালোকে কোনো প্ৰকৃতাৰ্থত সুখ লাভ কৰিব পাৰিবা নে? আকাশৰ তলত এনেকুৱা কোনো প্ৰায়শ্চিত্য আৰু এনেকুৱা কোনো ফিদিয়া আছে নে যিয়ে তোমালোকক পাপৰ পৰা মুক্তি দিব পাৰিব? মৰিয়মৰ পুত্ৰ ঈছা এনেকুৱা নে যে তেওঁক ৰক্তাত্ব কৰাতেই পাপৰ পৰা মুক্তি দিব পাৰে? হে খ্ৰীষ্টানসকল এনেকুৱা মিছা নক'বা যাৰ ফলত ভূমি টুকুৰা টুকুৰ হৈ যায় ঈছা নিজেই মুক্তিৰ বাবে বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল আছিল আৰু তেওঁ বিশ্বাস স্থাপন কৰিলে যাৰ ফলত মুক্তি পালে। পৰিতাপ সেই খ্ৰীষ্টান সকলৰ ওপৰত যিয়ে এয়া কৈ সৃষ্টি জীৱক প্ৰৱঞ্চনা দিয়ে যে আমি মছীহৰ হত্যাত পাপৰ পৰা মুক্তি পাইছো, বৰঞ্চ সিহঁতে মূৰৰ পৰা লৈ ভৰিলৈকে পাপতে ডুবি আছে। সিহঁতে নেজানে যে সিহঁতৰ খোদা কোন হয়, বৰং সিহঁতৰ জীৱন আলস্যত পৰি আছে সুৰা পানৰ নিচা সিহঁতৰ মস্তিষ্কত সোমাই আছে। কিন্তু পৱিত্ৰ উন্মাদ যি আকাশৰ পৰা অৱতীৰ্ণ হয় তাৰ পৰা সিহঁতে অবিদিত আৰু যি জীৱন খোদাক প্ৰাপ্ত কৰাৰ ফলত হয় আৰু যি পৱিত্ৰ জীৱনৰ উদ্দেশ্য হয় সিহঁতে তাৰ পৰা ভাগ্যহীন হৈ আছে; গতিকে তুমি স্মৰণ ৰখা যে বিশ্বাস অবিহনে তুমি অন্ধকাৰ জীৱনৰ পৰা বাহিৰলৈ ওলাই আহিব নোৱাৰা; আৰু ৰুহুল কুদুছ (পৱিত্ৰ আত্মা) তুমি প্ৰাপ্ত কৰিব নোৱাৰা। কল্যামণ্ডিত সেইজন যিয়ে বিশ্বাস স্থাপন কৰে,কাৰণ সেইজনেই খোদাক দেখিব পাৰিব। কল্যাণমণ্ডিত সেইজন যিজন সন্দেহ আৰু শংকাৰ পৰা আঁতৰত; কাৰণ সেইজনেই পাপৰ পৰা মুক্তি পাব। কল্যাণমণ্ডিত সেইজন যাক বিশ্বাসৰ

সম্পদ প্ৰদান হয় তাৰ পিছত তোমাৰ পাপৰ অন্ত পৰিব। পাপ আৰু বিশ্বাস উভয় একত্ৰিত হ'ব নোৱাৰে; তুমি এনেকুৱা গোহাত হাত সোমাব নে য'ত তুমি এটা বিষাক্ত সাপ দেখিবলৈ পোৱা ? তুমি এনেকুৱা ঠাইত থিয় হৈ থাকিব পাৰিবা নে য'ত ধাৰাবাহিক ভাৱে পাথৰ বৰ্ষিত হয় আৰু বিদ্যুৎ বিকিৰণ হয় বা এটা ভয়ঙ্কৰ সিংহ যিয়ে আক্ৰমণ কৰাৰ বাবে প্ৰস্তুত আছে বা এনেকুৱা ঠাইত য'ত মহামাৰীয়ে মানুহৰ বংশধৰক সমাপ্ত কৰি আছে ? যদি তোমাৰ খোদাৰ ওপৰত এনেকুৱাই বিশ্বাস আছে যেনেকুৱা সাপৰ ওপৰত বা বিদ্যুতৰ ওপৰত বা ভয়ঙ্কৰ সিংহৰ ওপৰত বা মহামাৰীৰ ওপৰত, গতিকে এয়া সম্ভৱ নহয় যে তুমি সেইজনাৰ অবাধ্য হৈ শান্তিৰ বাট অৱলম্বন কৰিব পাৰিবা বা সত্য আৰু সহানুভূতিৰ সম্পৰ্ক অৱলম্বন কৰিব পাৰিবা।

হে সেইসকল লোক যাক পুণ্য আৰু ন্যায় পৰায়ণতাৰ ফালে আহ্বান কৰা হৈছে তোমালোকে নিশ্চিত ভাৱে ভাৱা যে খোদাৰ প্ৰতি মনোযোগ আকৰ্ষণ সেই সময়ত সৃষ্টি হ'ব আৰু সেই সময়ত তোমাক পাপৰ দাগৰ পৰা পৱিত্ৰ কৰা হ'ব, যেতিয়া তোমাৰ হৃদয় বিশ্বাসেৰে ভৰি পৰিব; তেতিয়াহে তুমি ক'বা যে আমাক ইয়াকীন (বিশ্বাস) প্ৰাপ্ত হৈ গৈছে। স্মৰণ ৰখা এয়া তোমাক প্ৰৱঞ্চনাত পেলাইছে ইয়াকীন (বিশ্বাস) তুমি কেতিয়াও অৰ্জন কৰিব নোৱাৰা আৰু সেয়া প্ৰাপ্ত কৰিব নোৱাৰা কাৰণ তুমি পাপৰ পৰা বিমুখ নোহোৱা; তুমি এনেকুৱা ভাৱে খোজ আগবাঢ়ি নোযোৱা যেনেকুৱা ভাৱে আগবঢ়া উচিত; তুমি এনেকুৱা ভাৱে ভয় নকৰা যেনেকুৱা ভয় কৰা উচিত। চিন্তা-ভাৱনা কৰা, যাৰ বিশ্বাস হৈ যায় যে অমুক গাতত সাপ আছে তেওঁ সেই গাতত নিজৰ হাত সোমাবনে ? আৰু যাৰ বিশ্বাস হৈ যায় যে তেওঁৰ খাদ্যত বিষ আছে তেওঁ সেই খাদ্য খাবনে ? আৰু যিয়ে দেখিবলৈ পায় যে অমুক হাবিত এটা ভয়ঙ্কৰ সিংহ আছে তেতিয়া তেওঁৰ খোজ সেই হাবিৰ ফালে আগবাঢ়িব নে ? গতিকে

তোমাৰ হাত, তোমাৰ ভৰি, তোমাৰ কাণ আৰু তোমাৰ চকু কেনেকৈ পাপৰ ওপৰত গৌৰৱ কৰিব পাৰে যদি তোমাৰ খোদা আৰু কিয়ামতৰ দিনৰ প্ৰতি বিশ্বাস স্থাপন হয়। তেতিয়া পাপ তোমাৰ ওপৰত বিজয় লাভ কৰিব নোৱাৰে। যেতিযা তুমি এক ভস্মিভূত কৰি দিয়া আৰু সমাপ্ত কৰি দিয়া অগ্নিক দেখিবলৈ পোৱা সেই জুইত নিজকে সোমাই দিব পাৰিবা নে ? বিশ্বাসৰ দিৱাল আকাশলৈকে, চয়তানে তালৈ উঠিব নোৱাৰে।

প্ৰত্যেকজন যিয়ে পৱিত্ৰ হৈছে সেইজন বিশ্বাসেৰেই পৱিত্ৰ হৈছে। বিশ্বাস দুঃখ আঁতৰ কৰি শক্তি প্ৰদান কৰে, ইমানে যে এজন বাদশ্বাহক শাসনৰ পৰা নমোৱাব পাৰে আৰু ফকিৰৰ পোছাক পৰিধান কৰাব পাৰে। বিশ্বাস দুঃখক আঁতৰ কৰে আৰু খোদাক প্ৰদৰ্শন কৰাব পাৰে আৰু প্ৰত্যেক প্ৰায়শ্চিত্ত মিছা হয় প্ৰত্যেক ফিদিয়া বাতিল হয়। প্ৰত্যেক ধৰণৰ পৱিত্ৰতা বিশ্বাসৰ বাটেৰে আহে। সেই বস্তু যিয়ে পাপৰ পৰা দূৰত ৰাখে আৰু খোদালৈ পৌচায় আৰু ফিৰিস্তাৰ মাধ্যমে সত্যৰ প্ৰতি অগ্ৰসৰ হয়, সেয়া একমাত্ৰ বিশ্বাসেই হয়। প্ৰত্যেক ধৰ্ম যিয়ে বিশ্বাসক উত্থাপন নকৰে সেয়া মিছা; প্ৰত্যেক ধৰ্ম যিয়ে বিশ্বাসৰ মাধ্যমেৰে খোদাক দেখুৱাব নোৱাৰে সেয়া মিছলীয়া, প্ৰত্যেক ধৰ্ম যাৰ মাজত পুৰণি কাহিনীৰ বাহিৰে একোৱেই নাই সেয়াও মিছলীয়া।

## কাহিনীবোৰৰ প্ৰতি সন্তুষ্ট নহ'বা

খোদা যেনেকুৱা প্ৰথমে আছিল সেইজনা এতিয়াও আছে আৰু সেইজনাৰ ক্ষমতা যেনেকুৱা পূৰ্বতে আছিল সেয়া এতিয়াও আছে; আৰু সেইজনাৰ নিদৰ্শন দেখুৱাৰ যেনেকৈ পূৰ্বতে দক্ষতা আছিল সেয়া এতিয়া আছে, তেন্তে তোমালোকে কিয় কেৱল কাহিনীৰ ওপৰত সন্তুষ্ট হোৱা। সেই ধৰ্ম ধ্বংসপ্ৰাপ্ত যাৰ মুজিজাত (অলৌকিক ক্ৰিয়া) কেৱল কাহিনীৰ ওপৰত আধাৰিত, যাৰ ভৱিষ্যদ্বাণী কেৱল কাহিনী; আৰু সেই জামাত ধ্বংসপ্ৰাপ্ত যাৰ ওপৰত খোদা অৱতীৰ্ণ নহয় আৰু যিয়ে বিশ্বাসৰ মাধ্যমে খোদাৰ

হাতৰ দ্বাৰা পৱিত্ৰ নহয়। যেনেকৈ মানুহ প্ৰবৃত্তিৰ তৃপ্তিৰ বস্তু চাই তাৰ ফালে আকৰ্ষিত হয় এইদৰে মানুহ আধ্যাত্মিক তৃপ্তি বিশ্বাসৰ মাধ্যমে প্ৰাপ্ত কৰে তেতিয়া সেয়া খোদা ফালে আকৰ্ষিত কৰে আৰু তেওঁৰ সৌন্দৰ্য্যক এনেকুৱা ভাৱে সৌন্দৰ্যপূৰ্ণ কৰি দিয়ে যে যাৰ মোকাবিলাত বাকী সকলোবোৰ বস্তু আৱৰ্জনাৰ নিচিনা দেখা যায়; আৰু মানুহে সেই সময়ত পাপৰ পৰা বিশুদ্ধতা লাভ কৰে যেতিয়া তেওঁ সেইজনাৰ ওপৰত আৰু কিয়ামতৰ দিনা বিশ্বাস স্থাপন কৰাৰ সংবাদ পায়। যি ব্যক্তিয়ে খোদাৰ প্ৰতি বিশ্বাস স্থাপন কৰাত কোনো অগ্ৰসৰ নহয় তেওঁৰ সমাপ্ত ঘটে। যদি ঘৰৰ মালিকে জানিব পাৰে যে বানপানী তেওঁৰ ঘৰৰ ফালে ধাৱিত হৈ আছে বা তাৰ আশে-পাশে জুই লাগিছে আৰু কেৱল অলপ দূৰ বাকী আছে তেতিয়া তেওঁ ঘৰত অৱস্থান কৰিব নোৱাৰে। তেন্তে তুমি কিয়ামতৰ দিনৰ বিশ্বাসৰ দাবী কৰি কেনেকৈ ভয়ঙ্কৰ পৰিস্থিতিত স্থিৰ থাকিব পাৰিবা ? গতিকে তুমি নিজৰ চকু খোলা আৰু খোদাৰ সেই বিধানক চোৱা যি গোটেই বিশ্বত পোৱা যায়। নিগনি নহ'বা যিয়ে তলফালে যায়; ওপৰৰ ফালে যোৱা, পাৰ চৰাই হোৱা, যিয়ে আকাশৰ বাতাবৰণ নিজৰ বাবে পছন্দ কৰে। তুমি তৌবাৰ বয়াত কৰি পাপৰ ওপৰত স্থিৰ নাথাকিবা আৰু সাপৰ নিচিনা নহ'বা যিয়ে মোট এৰি দিয়াৰ পিছতো সাপেই থাকে। মৃত্যুক স্মৰণ কৰা সেয়া তোমাৰ কাষলৈ অহা-যোৱা কৰে আৰু তুমি সেই বিষয়ে অবিদিত। চেষ্টা কৰি পৱিত্ৰ হোৱা। মানুহে পৱিত্ৰ সেই সময়ত হ'ব পাৰে যেতিয়া নিজেই পৱিত্ৰতা অৱলম্বন কৰে।

## পৱিত্ৰ হোৱাৰ মাধ্যম সেই নামাজ যি ক্ৰন্দনৰ সৈতে আদায় কৰা হয়

তুমি সেই নিয়ামতক কেনেকৈ লাভ কৰিব পাৰা যাক খোদাই তোমাক প্ৰদান কৰিছে। কোৰাণ কৰীমত কৈছে,

وَاسْتَعِيْنُوْا بِالصَّبْرِ وَالصَّلٰوةِ (2:46)

অৰ্থাৎ নামাজ আৰু ধৈৰ্যৰ সৈতে খোদাৰ সহায় বিচৰা। নামাজ কি ? নামাজ সেই দোৱা, যি প্ৰশংসা,পৱিত্ৰতা আৰু ক্ষমা বিচাৰি আৰু দৰূদ আৰু ক্ৰন্দনৰ সৈতে বিচৰা হয়। গতিকে যেতিয়া তুমি নামাজ পঢ়া তেন্তে খবৰহীন মানুহৰ নিচিনা নিজৰ দোৱাত কেৱল আৰবী শব্দাৱলীতেই সীমাবদ্ধ নাথাকিবা; কাৰণ সিহঁতৰ নামাজ আৰু ক্ষমা বিচৰা কেৱল প্ৰথা হয়, যাৰ সৈতে কোনো সততা নাই; কিন্তু যেতিয়া তুমি নামাজ পঢ়া কোৰাণৰ বাহিৰে যি খোদাৰ কালাম হয় আৰু কিছুমান দোৱাৰ বাহিৰে যি ৰছুলৰ কালাম হয় ইয়াৰ বাহিৰেও গোটেইবোৰ সাধাৰণ দোৱাত নিজৰ ভাষাত বিনম্ৰতাৰ সৈতে দোৱা কৰা, যাতে তোমাৰ হৃদয়ত সেইজনাৰ কিছু প্ৰভাৱ পৰে ...নামাজত যেন আহিবলগীয়া বিপদ সমূহৰ চিকিৎসা হয় তুমি নেজানা যে নতুন দিন আহিব লগীয়া আছে, কেনেকুৱা ভাগ্য তোমাৰ বাবে সেই দিনবোৰে লৈ আহিব। সেই দিন অহাৰ আগতেই তুমি নিজৰ প্ৰভুৰ চৰণত বিনম্ৰতা অৱলম্বন কৰা তেতিয়াহে তোমাৰ ওপৰত কল্যাণ বৰ্ষিত হ'ব পাৰিব।

## হে ধনী আৰু সম্পদশালী

হে ধনী ব্যক্তি সকল, বাদশ্বাহ আৰু সম্পত্তিবান ! তোমালোকৰ মাজত এনেকুৱা লোক বহুত কম আছে যিসকলে খোদাৰ প্ৰতি ভয় কৰে আৰু সেইজনাৰ গোটেইবোৰ বাটত ন্যায়পৰায়ণ আছে। বেছিভাগ এনেকুৱা যে পাৰ্থিৱতাৰ প্ৰতি মোহিত হৈ হৃদয়ঙ্গম হয় আৰু তাতেই জীৱন অতিবাহিত কৰে আৰু মৃত্যুক স্মৰণ নকৰে। প্ৰত্যেক ধনীসকল যিসকলে নামাজ নপঢ়ে আৰু খোদাৰ প্ৰতি মনোযোগ নাই তেওঁৰ সকলোবিলাক দাসৰ পাপ তেওঁৰ ডিঙিত পৰিব আৰু যিসকলে তেওঁৰ অধীনস্থ হৈ মদ পান কৰে। হে জ্ঞানীসকল ! এই দুনিয়া চিৰস্থায়ী নহয়, গতিকে তুমি সতৰ্ক হৈ

যোৱা। তুমি সকলোবোৰ অযথাক এৰি দিয়া আৰু নিচা বস্তুক পৰিত্যাগ কৰা; মানুহক বিনাশ ঘটোৱাৰ কেৱল মদেই নহয়, বৰং আফিউন, গাজা, ভাং তাৰী আৰু প্ৰত্যেক নিচা যিয়ে সৰ্বদা অভ্যাসত পৰিণত হয় সেইবোৰে মগজক বেয়া কৰি পেলায় আৰু অৱশেষত সমাপ্ত ঘটায়। গতিকে তুমি সেইবোৰৰ পৰা আঁতৰত থাকা। আমি বুজিব পৰা নাই যে তুমি কিয় সেই বস্তুবোৰ ব্যৱহাৰ কৰি থাকা যাৰ ফলত প্ৰত্যেক বছৰ হাজাৰ তোমাৰ নিচিনা নিচাযুক্ত অভ্যাসত পৰিণত হৈ এই দুনিয়াৰ পৰা বিদায় লৈ আছে; আৰু আখিৰতৰ শাস্তিতো পৃথক। ন্যায়পৰায়ণ মানৱ হৈ যোৱা যাতে তোমাৰ আয়ু বৃদ্ধি পায় আৰু খোদাৰ পৰা কল্যাণমণ্ডিত হ'ব পাৰা। সীমালঙ্ঘন কৰি আৰামৰ জীৱন-যাপন কৰা জীৱন লাঞ্ছিত। সীমা লঙ্ঘন কৰি কু-অভ্যাস আৰু দয়াবান নোহোৱা জীৱনও লাঞ্ছিত। খোদাৰ ভৃত্য সকলৰ প্ৰতি সহানুভূতি নেদেখুৱাও লাঞ্ছিত জীৱন হয়। প্ৰত্যেক ধনী সকলৰ পৰা খোদাৰ অধিকাৰ আৰু মানৱৰ অধিকাৰ আদায় কৰা সম্বন্ধে তেনেকুৱাই সোধ-পোছ কৰা হ'ব যেনেকুৱা ফকিৰক; বৰং তাতোকৈ অধিক। দুৰ্ভাগ্য সেই ব্যক্তি যিয়ে এই ক্ষন্তেকীয় জীৱনৰ ওপৰত ভৰসা কৰি সম্পূৰ্ণ ৰূপে খোদাৰ পৰা বিমুখ হয় আৰু খোদাৰ হাৰামক এনেকুৱা ভাৱে ব্যৱহাৰ কৰে যেনেকুৱা সেই অবৈধ সমূহ তেওঁৰ বাবে বৈধ। খংৰ সময়ত উন্মাদৰ নিচিনা কোনোবাক গালি-শপনি আৰু ক্ষত-বিক্ষত আৰু হত্যা কৰাৰ বাবে প্ৰস্তুত হৈ যায় আৰু প্ৰবৃত্তিৰ তৃপ্তিৰ উত্তেজনাত অশিষ্ট পদ্ধতিৰ শীৰ্ষ স্থানলৈ গৈ পায়। সিহঁতে সঠিক আনন্দ প্ৰাপ্ত নকৰিব ইমানে যে সিহঁতে মৃত্যু বৰণ কৰিব। হে প্ৰিয়সকল ! কিছু দিনৰ বাবে পৃথিৱীলৈ আহিছা আৰু তাৰ মাজতেই বহু কিছু অতিবাহিত হৈ গৈছে গতিকে নিজৰ প্ৰভুক ক্ৰোধান্বিত নকৰিবা আৰু এজন মানৱ গভৰ্ণমেণ্ট যদি তেওঁ ক্ৰোধান্বিত হয় তেন্তে তোমাৰ বিনাশ ঘটাব পাৰে। গতিকে তুমি চিন্তা কৰা যে খোদা তা'লাৰ ক্ৰোধৰ পৰা কেনেকৈ তুমি বাচিব পাৰিবা;

যদি তুমি খোদাৰ দৃষ্টিৰ সন্মুখত খোদাৰ প্ৰতি ভীতিগ্ৰস্ত হৈ স্থিৰ হোৱা তেতিয়া তোমাক কোনাবাই বিনাশ ঘটাব নোৱাৰে; আৰু সেইজনাই স্বয়ং তোমাৰ সুৰক্ষিত কৰিব আৰু শত্ৰুসকল যি সকলে তোমাৰ কাষ চাপি আছে তোমাৰ ওপৰত আক্ৰমণ চলাব নোৱাৰিব, নতুবা তোমাৰ প্ৰাণৰ কোনো সুৰক্ষাকাৰী নাই আৰু তুমি শত্ৰুৰ পৰা ভীতিগ্ৰস্ত হৈ বা বিপদত আবদ্ধ হৈ ব্যাকুলতাৰ সৈতে জীৱন অতিবাহিত কৰিবা আৰু তোমাৰ জীৱনৰ শেষ দিন বৰ দুঃখিত আৰু ক্ৰোধৰ সৈতে অতিবাহিত কৰিবা। খোদা সেই সকলৰ নিৰাপত্তা প্ৰদান কৰে যিসকলে খোদাৰ হৈ যায়; গতিকে খোদাৰ ফালে আহি যোৱা আৰু প্ৰত্যেক ধৰণৰ দ্বেষ-বিদ্বেষক পৰিত্যাগ কৰা আৰু সেইজনাৰ ফৰজ সমূহত আলস্য নেদেখুৱাবা আৰু সেইজনাৰ ভৃত্যক ভাষাৰ দ্বাৰা বা হাতৰ দ্বাৰা অত্যাচাৰ নকৰিবা; ঐশ্বৰিক শাস্তি আৰু ক্ৰোধৰ প্ৰতি ভয় কৰা এই বাটেই মুক্তিৰ বাট।

## হে ইছলামৰ আলিমসকল

হে ইছলামৰ আলিমসকল ! মোক মিছলীয়া সাব্যস্ত কৰাত ততাতৈয়া নকৰিবা, বহুত ৰহস্য এনেকুৱা আছে যাক মানুহে সোনকালে বুজিব নোৱাৰে। কথাক শ্ৰৱণ কৰি তৎক্ষণাত ৰহিত কৰাৰ বাবে প্ৰস্তুত নহ'বা এয়া তাকৱাৰ পদ্ধতি নহয়; যদি তোমাৰ মাজত কিছু ভুল নাথাকিলেহেঁতেন আৰু তোমালোকে কিছুমান হাদীছৰ বিপৰীত অৰ্থ নকৰিলেহেঁতেন তেন্তে মছীহ মাওউদৰ যিজন ন্যায় বিচাৰক তেখেতৰ আগমন লঘু আছিল... যি কামৰ বাবে আপোনালোকৰ আকীদা মতে মছীহ ইবনে মৰিয়ম আকাশৰ পৰা আগমন কৰিব অৰ্থাৎ এয়া যে মাহদীৰ সৈতে মিলিত হৈ লোকসকলক বল প্ৰয়োগ কৰি মুছলমান বনোৱাৰ বাবে যুদ্ধ কৰিব এইটো এনেকুৱা আকীদা হয় যিয়ে মুছলমানক বদনাম কৰে। কোৰাণ শ্বৰীফত ক'ত লিখা আছে যে ধৰ্মৰ বাবে বল প্ৰয়োগ কৰিব পাৰে; বৰং আল্লাহ তা'লা কোৰাণ শ্বৰীফত কৈছে,

(2:257) لَآ اِكۡرَاهَ فِى الدِّيۡنِ

অৰ্থাৎ ধৰ্মৰ ক্ষেত্ৰত বল প্ৰয়োগ কৰিব নোৱাৰে।

তেন্তে মছীহ ইবনে মৰিয়মক কিয় বল প্ৰয়োগ কৰিবলৈ দিয়া হ'ব। গোটেই কোৰাণ বাৰম্বাৰ কৈ আছে ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে আৰু স্পষ্ট ভাৱে প্ৰকাশ কৰি আছে যে আঁ-হজৰত (ছাঃ)ৰ সময়ত যিসকলৰ সৈতে যুদ্ধ হৈছিল সেই যুদ্ধ ধৰ্ম বিস্তাৰ লাভ কৰাৰ বাবে কৰা হোৱা নাছিল বৰং,

১। হয়তো শাস্তি আছিল অৰ্থাৎ সেই লোক সকলক শাস্তি দিয়া বাধ্যতামুলক আছিল যিকসকলে অসংখ্য মুছলমানক হত্যা কৰিছিল বা কিছুমানক দেশান্তৰ কৰি দিছিল আৰু কঠোৰ অত্যাচাৰ কৰিছিল যেনেকুৱা আল্লাহ তা'লাই কৈছে,

اُذِنَ لِلَّذِيۡنَ يُقٰتَلُوۡنَ بِاَنَّهُمۡ ظُلِمُوۡا ؕ وَاِنَّ اللّٰهَ عَلٰى

(22:40) نَصۡرِهِمۡ لَقَدِيۡرُ ۙ‏﴿۴۰﴾

অৰ্থাৎ সেই মুছলমান সকলক যাৰ সৈতে কাফিৰ সকলে যুদ্ধ কৰি আছিল মুছলমান সকলক অত্যাচাৰিত হোৱাৰ ফলত অনুমতি প্ৰদান কৰা হয় আৰু খোদা সৰ্বশক্তিমান যিয়ে সিহঁতক সহায় কৰিছে। বা

২। সেই যুদ্ধ হয় যি জীৱন ৰক্ষা কৰাৰ বাবে আছিল অৰ্থাৎ যিসকলে ইছলামক সমাপ্ত কৰাৰ পৰিকল্পনা কৰি আছিল বা নিজৰ দেশত ইছলাম বিস্তাৰ লাভ কৰাৰ পৰা বাধা দিছিল সিহঁতৰ পৰা নিজকে সুৰক্ষিত ৰখাৰ বাবে যুদ্ধ কৰা হৈছিল। বা

৩। দেশত স্বাধীন সৃষ্টি কৰাৰ বাবে যুদ্ধ কৰা হৈছিল।

এই তিনিটা সন্দৰ্ভৰ বাহিৰে আঁ-হজৰত (ছাঃ) আৰু তেখেতৰ পৱিত্ৰ খলিফা সকলে কোনো যুদ্ধ কৰা নাছিল; বৰং ইছলামে অইন জাতিৰ অত্যাচাৰক ইমানে সহ্য কৰিছিল যে অইন জাতি সমূহৰ মাজত দেখিবলৈ

পোৱা নাযায়। তেন্তে ঈছা মছীহ আৰু মাহদী চাহাব কেনেকৈ আগমন হোৱাৰ লগে লগেই লোক সকলক হত্যা কৰা আৰম্ভ কৰি দিব..

## দেশৰ শাসনপ্ৰাপ্তসকল আৰু পীৰসকল

এনেকুৱাই এই ৰাষ্ট্ৰত শাসনপ্ৰাপ্ত আৰু পীৰসকল ধৰ্মৰ পৰা এনেকুৱা সম্পৰ্কহীন আৰু বিদাতত (কৃত্ৰিম বিধি-বিধানত) এনেকুৱা ভাৱে দিন ৰাতি মগ্ন আছে যে সিহঁতৰ ইছলামৰ ওপৰত হোৱা অত্যাচাৰ আৰু বিপদাৱলীৰ প্ৰতি একোৱেই ভ্ৰূক্ষেপ নাই। সিহঁতৰ বৈঠকত যদি যোৱা তেন্তে তাতে কোৰাণৰ আৰু হাদীছৰ পৰিৱৰ্তে ভিন্ন প্ৰকাৰৰ ঢোল আৰু কৱালি ইত্যাদি বিদাত সমূহ দেখিবলৈ পাবা; আৰু মুছলমানৰ নেতা আৰু নবী কৰীম (ছাঃ)ৰ অনুসাৰী হোৱাৰ দাবী কৰা সত্ত্বেও কিছুমানৰ মাজত মহিলা সকলৰ পোছাক পৰিধান কৰা দেখিবলৈ পোৱা যায় আৰু হাতত মেন্দী লগায় আৰু চুড়ী পিন্ধে আৰু কোৰাণ শ্বৰীফৰ সন্দৰ্ভত কবিতা পঢ়ে আৰু নিজৰ বৈঠকক পছন্দ কৰে। এইবোৰ এনকুৱা পুৰণি প্ৰথা যি কল্পানাতো নাহে যে সেইবোৰ দূৰ হওঁক আৰু খোদা তা'লা নিজৰ ক্ষমতা প্ৰদৰ্শন কৰিব আৰু ইছলামৰ সহায়ক হ'ব।

প্ৰত্যেকে ক'ব পাৰে যে মই খোদাক ভাল পাওঁ। কিন্তু খোদাক সেইজনেই ভাল পায় যাৰ ভালপোৱা ঐশ্বৰিক সাক্ষীৰ দলিল হয়। প্ৰত্যেকেই কয় মোৰ ধৰ্ম সত্য; কিন্তু সত্য ধৰ্ম সেই ব্যক্তিৰ যাক এই দুনিয়াৰ পৰা পোহৰ প্ৰাপ্ত হয়। প্ৰত্যেকেই কয় যে মোক মুক্তি প্ৰদান কৰা হ'ব কিন্তু এই কথনত সত্য সেইজন ব্যক্তি যিয়ে এই দুনিয়াতেই মুক্তিৰ জ্যোতি দেখিবলৈ পায়। গতিকে তুমি চেষ্টা কৰা আৰু খোদাক ভালপোৱা যাতে তোমাক সকলোবোৰ বিপদৰ পৰা বচোৱা হয়।

## প্ৰিয়সকল ! এতিয়া ধৰ্মৰ সেৱা কৰাৰ সময় হয়

প্ৰিয় সকল ! এতিয়া ধৰ্ম বাবে আৰু ধৰ্মৰ উদ্দেশ্যৰ বাবে সেৱা কৰাৰ

সময় হয় এই সময়ক মূল্যবান বুলি ভৱা, পিছত এনে সুযোগ নাহিব.. তুমি এনেকুৱা সত্য নবীৰ অনুসাৰী হৈ কিয় সাহস নেদেখুৱা। তুমি সেই আদৰ্শ দেখুৱা যাৰ ফলত ফিৰিস্তাও আকাশৰ পৰা তোমাৰ বাবে সত্য আৰু স্বচ্ছৰ সৈতে আচৰিত হৈ তোমাৰ ওপৰত দৰূদ প্ৰেৰণ কৰে যেন। এতিয়া মই সমাপ্ত কৰো আৰু দোৱা কৰো যে মোৰ এই শিক্ষা তোমালোকৰ বাবে যেন উপকৃত হয়; আৰু তোমালোকৰ ভিতৰত যেন এনেকুৱা পৰিৱৰ্তন সৃষ্টি হৈ যায় যে তোমালোকে পৃথিৱীৰ তৰা হৈ যোৱা আৰু পৃথিৱী যেন সেই জ্যোতিৰে আলোকিত হৈ পৰে যি তোমাৰ প্ৰভুৰ পৰা তোমাক প্ৰাপ্ত হয়। আমীন- আকৌ আমীন-